# শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ ঐতিহ্য ঃ এক অধ্যয়ন

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষান্মাসিকৰ অসমীয়া **DSE-3(H)** কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প।


**তত্বাৱধায়ক**

ড° মৃণালী কাগয়ুং
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

**প্ৰস্তুতকৰ্তা**

অনামিকা গগৈ
স্নাতক তৃতীয় বৰ্ষৰ
ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
**Roll No. ঃ 30810061**
**Registration No ঃ S1921532**

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ, যোৰহাট


ইং - ২০২২ বৰ্ষ

# প্ৰমাণ পত্ৰ

শ্ৰী/শ্ৰীমতী ........অনামিকা গগৈ........ স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিকৰ (ৰোল নং..30810061....) ছাত্ৰ/ছাত্ৰী। তেওঁ মোৰ তত্বাৱধানত পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ ঐতিহ্য : এক অধ্যয়ন...... বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

মৃণালী ভাগৱতী

তত্বাৱধায়ক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

Department of Assamese
Date ............

অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০


ঙ্গ নং.........

তাৰিখ ঃ ০৭০৭.২০২২

## প্ৰমাণ পত্ৰ

শ্ৰীমতী অনামিকা গগৈ স্নাতক ষষ্ঠ ষান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০০৬১)ৰ ছাত্ৰী। তেওঁ ড° মৃণালী কাগয়ুঙৰ তত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"কমলাবাৰী সত্ৰৰ ঐতিহ্য ঃ এক অধ্যয়ন"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

মৃণালী কাগয়ুং

বিভাগীয় প্ৰধান

অসমীয়া বিভাগ,

নন্দনাথ শইকীয়া মহাবিদ্যালয়,

তিতাবৰ।

Head
Department of Assamese
Nanda Nath Saikia College
Titabar

## কৃতজ্ঞতা স্বীকাৰ

‘শ্ৰী শ্ৰী কমলাবাৰী সত্ৰৰ ঐতিহ্য - এক অধ্যয়ন’ শীৰ্ষক গৱেষণা প্ৰকল্প প্ৰতিবেদনটি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বিষয় নিৰ্বাচন, তথ্য সংগ্ৰহৰ পৰা আদি কৰি গৱেষণা বিষয়ক বহুতো দিহা পৰামৰ্শ আগবঢ়াই আৰু বিভিন্ন সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত সকলো সময়তে যি গৰাকী ব্যক্তিয়ে সহায় সহযোগিতা আগবঢ়ালে সেই ব্যক্তিগৰাকীয়েই হৈছে নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° মৃণালী কাগ্য়ুঙ বাইদেউ। বাইদেউলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে প্ৰকল্প প্ৰতিবেদনখন প্ৰস্তুত কৰিবৰ বাবে প্ৰয়োগ কৰিব লগা নীতি-নিৰ্দেশনা সম্পৰ্কত দিহা পৰামৰ্শ আগবঢ়োৱা বিভাগৰ সমূহ ছাৰ-বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই প্ৰকল্প প্ৰতিবেদনখন প্ৰস্তুত কৰোঁতে প্ৰয়োজন হোৱা তথ্যপাতিসমূহ সংগ্ৰহৰ ক্ষেত্ৰত নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ পুথিভঁৰালৰ পৰা বহুতো সহায় লাভ কৰিছিলো। তেওঁলোকলৈও অশেষ কৃতজ্ঞতা জনালো।

অৱশেষত সকলোলৈকে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। এই অধ্যয়নটিত ৰৈ যোৱা ভুল আৰু ত্ৰুটিসমূহৰ মাৰ্জনা কৰে যেন।

ধন্যবাদেৰে,
অনামিকা গগৈ
স্নাতক ষষ্ঠ ষান্মাসিক
নন্দনাথ শইকীয়া মহাবিদ্যালয়

# সূচীপত্ৰ


০.০০ প্ৰস্তাৱনা

০.০১ বিষয়ৰ পৰিচয়

০.০২ বিষয়ৰ পদ্ধতি

০.০৩ বিষয়ৰ উদ্দেশ্য আৰু গুৰুত্ব

০.০৪ বিষয়ৰ পৰিসৰ

০.০৫ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

**প্ৰথম অধ্যায়**

১.০০ সত্ৰৰ উৎপত্তি

১.০১ সত্ৰৰ বিভিন্ন ভাগ আৰু বিস্তৃতি

**দ্বিতীয় অধ্যায়**

২.০০ অসমৰ সত্ৰ পৰম্পৰাৰ ইতিহাস

২.০১ সত্ৰৰ নিত্য কৰ্ম - সত্ৰীয়া নাম প্ৰসঙ্গ

২.০২ সত্ৰৰ নৈমিত্তিক কৰ্ম তথা সত্ৰৰ উৎসৱ-অনুষ্ঠান

২.০৩ সত্ৰৰ কেতবোৰ পালনীয় আচাৰ-নীতি

২.০৪ সত্ৰীয়া গীত, নৃত্য, বাদ্য আৰু ভাওনা

**তৃতীয় অধ্যায়**

৩.০০ কমলাবাৰী সত্ৰৰ ইতিহাস

**চতুৰ্থ অধ্যায়**

৪.০০ কমলাবাৰী সত্ৰৰ ঐতিহ্য

**পঞ্চম অধ্যায়**

৫.০০ তিতাবৰ সমাজ জীৱনলৈ কমলাবাৰী সত্ৰৰ অৱদান

**উপসংহাৰ**

**সিদ্ধান্ত**

**প্ৰসংগটোকা**

**গ্ৰন্থপঞ্জী**

**তথ্যদাতাৰ তালিকা**

**আলোকচিত্ৰ**

# শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ ঐতিহ্য ঃ এক অধ্যয়ন

## ০.০০ প্ৰস্তাৱনা

### ০.০১ বিষয়ৰ পৰিচয় ঃ

শংকৰদেৱ আৰু মাধৱদেৱে অসমৰ সমাজ-সংস্কৃতিলৈ আগবঢ়াই যোৱা এটি সৰ্বোৎকৃষ্ট অৱদান হ'ল সত্ৰসমূহ। সত্ৰ হৈছে অসমৰ জাতীয় জীৱনৰ অপৰিহাৰ্য অংগ। 'সত্ৰ' শব্দৰ অভিধানিক অৰ্থ হ'ল অধিৱেশন, হোম অনুষ্ঠান, নিবাসস্থান। সত্ৰ বুলিলে ধৰ্মকেন্দ্ৰিক অনুষ্ঠান হ'লেও ইয়াত নৱধা ভক্তিৰে ধৰ্ম-প্ৰসংগ কৰা আৰু জীৱক তৰণৰ পথ দেখুওৱাৰ লগতে সাহিত্য, সংগীত, নৃত্য, নাটক, স্থাপত্য-ভাস্কৰ্য কলাসমূহৰ চৰ্চা আৰু অনুশীলন কৰা হয়।

'সত্ৰ' শব্দটো বিশ্লেষণ কৰিলে দেখা যায় যে শব্দটোৰ এক গভীৰ অৰ্থ আছে; যাক মধ্যযুগৰ পৰা বিভিন্নজনে বিভিন্ন অৰ্থত ব্যৱহাৰ কৰি আহিছে। সত্ৰ শব্দটো ভাঙিলে 'সৎ+ ত্ৰ= সত্ৰ' পোৱা যায়। 'সৎ' মানে হৈছে ধাৰ্মিক লোক আৰু 'ত্ৰ' মানে ত্ৰাণ কৰা। অৰ্থাৎ সৎ লোকক ত্ৰাণ কৰোঁৱা বা পুণ্য ধামলৈ গতি কৰা। তদুপৰি যজ্ঞ, ধৰ্মস্থান, দাতব্য, যোগ, সদাব্ৰত, ভোজনালয়, সৰোবৰ, গৃহ, অৰণ্য আদি অৰ্থও সত্ৰ শব্দৰে বুজোৱা হয়। 'সত্ৰ' শব্দটো মূলতে এটা সংস্কৃত শব্দ, যাৰ অৰ্থ 'দীঘলীয়া যজ্ঞ'।

'সত্ৰ' শব্দটি বিভিন্ন গ্ৰন্থত বিভিন্ন অৰ্থত প্ৰয়োগ কৰা হৈছে। ভাগৱতৰ প্ৰথম স্কন্ধত সত্ৰ শব্দৰ প্ৰয়োগ এনেদৰে পোৱা যায় -

"নৈমিষে নিমিষে ক্ষেত্ৰে ঋষয়ঃ শৌণকাদয়ঃ।
সত্ৰং স্বৰ্গায় লোকায় সহস্ৰ সমমাসত্য।।"১

নৰায়ণ চন্দ্ৰ গোস্বামীৰ 'সত্ৰীয়া সংস্কৃতি স্বৰ্ণৰেখা' শীৰ্ষক গ্ৰন্থত 'সত্ৰ' শব্দটো 'যজ্ঞ ভূমি' ৰূপত ব্যৱহাৰ কৰিছে। যজ্ঞ মানে পৱিত্ৰ অৰ্থাৎ পৱিত্ৰ ভূমি। এই পৱিত্ৰ ভূমিৰ অৰ্থ শংকৰদেৱে কীৰ্তন পুথিত এনেদৰে দিছে -

"তোমাৰ চৰণ চিন্তি যথাত ভকত থাকে
সেহি পূণ্য সেহি তীৰ্থস্থান।
তোমাৰ অমৃত কথা ধাৰায়ে বহয় যথা
তাক যিটোজনে কৰে পান।।"২

অৰ্থাৎ "য'ত ঈশ কথা ভক্তৰ মুখত প্ৰকাশ পাই, য'ত অবিৰাম ভক্তৰ সমাৱেশ হৈ যৎ সংলাপ কৰোঁতে নিজানন্দ সুখ পৰিপূৰ্ণ বৈকুণ্ঠ পৰি হৰি ভগৱন্তে তন্ময় ৰিতস্ত ভক্তৰ আকুল আহ্বানত তেৰাসৰৰ নিকটস্থ হৈ আত্মবিস্মৃত হয়, সেই ভক্ত ভগৱন্তৰ ৰজপুত স্থানেই হ'ল সত্ৰ/ স্থান।"

সেইদৰে ভট্টদেৱে তেওঁৰ 'শৰণ মালিকা' গ্ৰন্থত সত্ৰৰ সংজ্ঞা দিছে এনেদৰে-

"যত্ৰাচৰন্তি সদ্ধৰ্মান কেৱলা ভগৱৎ প্ৰিয়াঃ
নৱধা ভগৱদ্ভক্তিঃ প্ৰত্যহং যত্ৰ বিদ্যতে
তৎ সত্ৰং উত্তম ক্ষেত্ৰং বৈষ্ণৱ সুৰৱন্দিম
তত্ৰস্থা বৈষ্ণৱাঃ সৰ্বেঃ হৰিনাম পৰায়ণা।।"৩

অৰ্থাৎ, "য'ত নৱধা ভক্তিৰে ভগৱৎ প্ৰিয়সকল সৎ ধৰ্ম আচৰণ কৰে, সেই উত্তম ক্ষেত্ৰ সত্ৰ দেৱতাসকলৰো ন্দনীয়। সেই স্থানত সদায় বৈষ্ণৱসকল হৰিনাম পৰায়ণ হৈ থাকে।"

'সত্ৰ' হৈছে মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে স্থাপন কৰা ক অনুষ্ঠান। 'সত্ৰ' শব্দটো প্ৰথমে 'শতপথ ব্ৰাহ্মণ'ত 'আহুতি' বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। গীতাতো এই ব্দটো ভিন ভিন ঠাইত ব্যৱহাৰ কৰা হৈছে। গীতাত উল্লেখে কৰা মতে বিষ্ণুক্ষেত্ৰ নৈমিষাৰণ্যত শৌনকাদি

ঋষিসকলে স্বৰ্গপ্ৰাপ্তিৰ কাৰণে হাজাৰ হাজাৰ বছৰ ধৰি যি অনুষ্ঠান পাতি আছিল সেয়ে ‘সত্ৰ’। কিন্তু আমাৰ নৱবৈষ্ণৱ ধৰ্মৰ আমোলত মহাপুৰুষ দুজনাই ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেৰে প্ৰতিষ্ঠা কৰা স্থানসমূহেই সত্ৰ বুলি জনাজাত। ধৰ্ম চৰ্চাৰ উপৰিও সত্ৰসমূহ মহাপুৰুষীয়া তথা অসমীয়া সংস্কৃতি যেনে- বৰগীত, সত্ৰীয়া নৃত্য আদিৰ লগতে পুৰণি পুথি-পাজি আৰু আন আন বুৰঞ্জীমূলক সমলৰ ভঁৰাল। প্ৰথমতে অসমত ৬৬৫ খন সত্ৰ আছিল যদিও এতিয়া তাৰে বেছিভাগৰে অস্তিত্ব নাই। এইকেইখনৰ ভিতৰত ৬৫ খন কেৱল মাজুলীতে স্থাপন কৰা হৈছিল যাৰ ভিতৰত এতিয়া ২২ খনহে আছে।

পোনতে মহাপুৰুষ শংকৰদেৱে সত্ৰানুষ্ঠান প্ৰতিষ্ঠা কৰিলেও পৰৱৰ্তী মহাপুৰুষ আজ্ঞাপৰ ধৰ্মপ্ৰচাৰকসকলে চাৰিটা সংহতিত বিভিন্ন সত্ৰ প্ৰতিষ্ঠা কৰে। সেই সত্ৰসমূহৰ ভিতৰত এখন লেখতল’বলগীয়া সত্ৰ হ’ল ‘শ্ৰী শ্ৰী কমলাবাৰী সত্ৰ’। এইখন সত্ৰ বদুলা পদ্ম আতাই নিকা সংহতিৰ আৰ্হিত পোনপ্ৰথমে ১৬৭৩ চনত মাজুলীত প্ৰতিষ্ঠা কৰিছিল। উল্লেখযোগ্য যে ১৬৭৩ চনত প্ৰতিস্থিত মাজুলীৰ এই মূল সত্ৰখন ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত বিধস্ত হয়। চৰকাৰৰ অনুদানত ১৯৭৫ চনত তিতাবৰৰ মহিমাবাৰীত পুনৰ প্ৰতিস্থা কৰা হয়। শ্ৰী শ্ৰী কমলাবাৰী নামেৰে খ্যাত এই সত্ৰখন পুনৰ তিতাবৰত প্ৰতিষ্ঠা কৰিছিল শ্ৰী শ্ৰী ভৱকান্তদেৱ গোস্বামীয়ে। বৰ্তমান মাজুলীত তিনিখন কমলাবাৰী সত্ৰ আছে; সেইয়া হৈছে - ‘উত্তৰ কমলাবাৰী সত্ৰ’, ‘নতুন কমলাবাৰী সত্ৰ’ আৰু ‘মৈথ মাজুলী কমলাবাৰী সত্ৰ’।

**০.০২ বিষয়ৰ পদ্ধতি ঃ**

গৱেষণা কৰা বিষয়টো বৰ্ণনামূলক আৰু ক্ষেত্ৰভিত্তিক অধ্যয়ন পদ্ধতিৰ সহায়ত আলোচনা কৰা হৈছে।

**০.০৩ বিষয়ৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

সত্ৰৰ অন্যতম এক অৰ্থ হ’ল ধৰ্ম, শৰণ দিয়া আদি আধ্যাত্মিক শিক্ষা দিয়া কাৰ্য। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ব্ৰাহ্মণক পোনপটীয়াকৈ নিজে শৰণ নিদি ব্ৰাহ্মণৰ দ্বাৰা দিয়া কাৰ্যত সত্ৰ শব্দৰ ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে সেই সময়ত সত্ৰ সত্ৰ শব্দৰ বহুল প্ৰয়োগ হোৱা নাছিল; তাৰ পৰিৱৰ্তে কীৰ্তন ঘৰ, হৰি গৃহ, থান আদি শব্দৰহে ব্যাপক প্ৰচলন আছিল।

আন সত্ৰসমূহৰ দৰে তিতাবৰৰ এই কমলাবাৰী সত্ৰতো ধৰ্ম প্ৰচাৰ, শৰণ অথবা আধ্যাত্মিক শিক্ষা দিয়াৰ লগতে বিভিন্ন ধৰণৰ ধৰ্মীয় অনুষ্ঠান যেনে - অংকীয়া নাট, ভাওনা ইত্যাদি অনুষ্ঠিত কৰা হয়। চালি, ঝুমুৰা, নাদুভংগী, বৰ প্ৰৱেশৰ নাচ, সূত্ৰধাৰ, ওজাপালি আদি সত্ৰৰ মুখ্য নৃত্যসমূহৰ চৰ্চা আৰু প্ৰচলন কৰি যুগমীয়া কৰি ৰখাটো সত্ৰখনে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। তদুপৰি এই সত্ৰখনে পুৰণি শিল্পকলাৰ লগত জড়িত সম্পদসমূহৰ সংৰক্ষণ তথা সাহিত্যকৰ্মৰ বাবে বিশেষভাৱে গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে। এইখন সত্ৰ ধৰ্ম, সাহিত্য, সংস্কৃতি তথা সত্ৰীয়া সংস্কৃতি চৰ্চাৰ বাবে ভাৰত বিখ্যাত। এইখন সত্ৰই বিদেশত অসমীয়া সত্ৰ সংস্কৃতি প্ৰসাৰ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

সত্ৰসমূহৰ মূল উদ্দেশ্য যে ঈশ্বৰমুখী ভাৱ দৰ্শন, শৰীৰ আৰু আত্মাৰ উৎকৰ্ষ সাধন কৰা, দেহক ৰিপুসমূহৰ আগ্ৰাসনৰ পৰা মুক্ত কৰা, জীৱক আধ্যাত্মিক আৰু মানৱীয় মহানুভৱতাৰ শিক্ষা প্ৰদান কৰা। সত্ৰ প্ৰতিস্থাৰ মূল লক্ষ্য বা উদ্দেশ্য এয়ে।

**০.০৪ বিষয়ৰ পৰিষৰ ঃ**

বিষয়ৰ পৰিষৰত সত্ৰৰ পৰিচয় দি সত্ৰৰ উৎপত্তি, ইয়াৰ বিভিন্ন ভাগ আৰু বিস্তৃতি, অসমৰ সত্ৰ পৰম্পৰাৰ ইতিহাস, কমলাবাৰী সত্ৰৰ ইতিহাস, কমলাবাৰী সত্ৰৰ ঐতিহ্য আৰু তিতাবৰ সমাজ জীৱনলৈ কমলাবাৰী সত্ৰৰ অৱদান সম্পৰ্কে আলোচনা কৰা হৈছে।

**০.০৫ পূৰ্বকৃত অধ্যনৰ সমীক্ষা ঃ**

সত্ৰ সম্পৰ্কে বিভিন্ন লেখকসকলে বিভিন্ন গ্ৰন্থত ভিন্ন ধৰণেৰে উল্লেখ কৰিছে। ড° কেশৱানন্দ গোস্বামীৰ 'সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা' গ্ৰন্থখনত সত্ৰৰ বিভাজন আৰু বিস্তৃতি, সত্ৰৰ পালনীয় আচাৰ- নীতি, সত্ৰীয়া নাম প্ৰসঙ্গ, সত্ৰীয়া নৃত্য-গীত, ভাওনা আৰু ইয়াৰ পৰম্পৰা সম্পৰ্কে ইয়াত আলোচনা কৰা হৈছে।

মহেশ্বৰ নেওগৰ 'অসমৰ সাংস্কৃতিক ঐতিহ্য নৃত্য-গীত-অভিনয়' নামৰ গ্ৰন্থত মাজুলীৰ সত্ৰসমূহৰ বিষয়ে আলোচিত হৈছে।

ডাঃ তুলতুল বৰাৰ 'শ্ৰী শ্ৰী কমলাবাৰী সত্ৰৰ শত পল্লৱ' নামৰ গ্ৰন্থত 'শ্ৰী শ্ৰী কমলাবাৰী সত্ৰ' সম্পৰ্কীয় সকলো তথ্য আলোচনা কৰিছে।

ভৱকান্ত নাথৰ 'অসমীয়া সংস্কৃতিৰ পটভূমি' নামৰ গ্ৰন্থত সত্ৰৰ শাসন প্ৰণালী আৰু সত্ৰত সাংস্কৃতিক প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হৈছে।

বাপচন্দ্ৰ মহন্তৰ 'মহাপুৰুষীয়া পৰম্পৰাত সত্ৰ আৰু সংগীত' নামৰ গ্ৰন্থখনত সত্ৰৰ ঐতিহাসিক স্বৰূপ, সম্পৰ্কীয় তথ্যৰ আলোচনা কৰা হৈছে।

# প্ৰথম অধ্যায়

**১.০০ সত্ৰৰ উৎপত্তি ঃ**

শব্দৰ বুৎপত্তিৰপৰা চাবলৈ গ'লে 'সৎ' শব্দৰ পৰাই 'সত্ৰ' শব্দৰ উৎপত্তি হৈছে। মহাপুৰুষ শংকৰদেৱৰ ধৰ্ম প্ৰচাৰৰ আদি কালত সত্ৰৰ উৎপত্তি হয়। বৈষ্ণৱ আন্দোলনৰ সময়ত এই সত্ৰসমূহ এটি ধৰ্মীয় অনুষ্ঠান স্বৰূপেহে আছিল, য'ত ভাগৱত চৰ্চা আৰু ব্যাখ্যা হৈছিল। সময় পৰিৱৰ্তনশীল। সময়ৰ পৰিৱৰ্তনৰ সোঁতত এই ধৰ্মীয় অনুষ্ঠানসমূহেই নামঘৰ আৰু মণিকূট গঠন প্ৰক্ৰিয়ালৈ পৰ্যবসিত হৈছিল। শংকৰদেৱে অসমত সত্ৰ প্ৰতিস্থা কৰিলে যদিও তেওঁৰ দিনত সত্ৰ শব্দটো ধৰ্মানুষ্ঠানৰ ক্ষেত্ৰত বৰকৈ ব্যৱহাৰ কৰা দেখা নাযায়। গুৰুজনাই নিজেও সত্ৰ শব্দটো ব্যৱহাৰ কৰা নাছিল। শংকৰদেৱে তেওঁৰ জন্মস্থান বৰদোৱাত প্ৰথমখন সত্ৰ স্থাপন কৰিছিল। নতুমকৈ ধৰ্ম প্ৰচাৰ কৰা ঠাইত তেওঁ 'প্ৰাৰ্থনা গৃহ' অৰ্থাৎ 'হৰি গৃহ' স্থাপন কৰিছিল, যি পাছলৈ সাংস্কৃতিক কেন্দ্ৰৰ ৰূপ লৈছিল। ইয়াক থান বুলি কোৱা হয়। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ধৰ্ম প্ৰচাৰ কৰোঁতে তেওঁ ঠায়ে ঠায়ে 'থান' স্থাপন কৰিছিল। শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱে বৰপেটাত স্থাপন কৰা 'থান'খনেই আছিল সৰ্ববৃহৎ। মাধৱদেৱে একশৰণ নামধৰ্ম প্ৰচাৰৰ দায়িত্ব ন্যস্ত কৰা বাৰজন মূখ্য শিষ্যইও অসমৰ ভিন ভিন ঠাইত 'থান' স্থাপন কৰে। এই 'থান'বোৰেই কালক্ৰমত বৈষ্ণৱ ধৰ্মৰ প্ৰাণকেন্দ্ৰ স্বৰূপ 'সত্ৰ' নামেৰে প্ৰসিদ্ধ হয়।

শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰে তেওঁৰ ৰচনাত বৰদোৱা সত্ৰক বুজাবলৈ 'স্থান' শব্দ ব্যৱহাৰ কৰিছে। একেদৰে বৰপেটা, মধুপুৰ আদি পৱিত্ৰ ঠাইক বুজাবলৈ 'থান' শব্দ ব্যৱহাৰ কৰিছিল। শংকৰদেৱে কীৰ্তনত লিখিছে-

তোমাৰ চৰণ চিন্তি যথাত ভকত থাকে<br>সেহি পূণ্য তীৰ্থস্থান।

কথা-গুৰু-চৰিতত উল্লেখ থকা অনুসৰি শংকৰদেৱে প্ৰথমবাৰ বিবাহ কৰাৰ পাছত জন্মভূমি আলিপুখুৰীত হৰি কীৰ্তন চৰ্চা কৰিবলৈ লয়। কিন্তু সেই ঠাইত অসুবিধা পোৱাত কঠিয়াতলিত চাৰিহাটী কৰি হৰিগৃহ বান্ধে আৰু ভায়েক ৰামৰায়ৰ হতুৱাই দেৱ গৃহ সজায়। এনেদৰে আৰম্ভ হৈ পাছলৈ পৰিৱৰ্ধিত ৰূপ গ্ৰহণ কৰি এই হৰি গৃহ বা দেৱ গৃহই সত্ৰৰ ৰূপ লাভ কৰে। সমগ্ৰিকভৱে ক'ব পাৰি যে, শংকৰদেৱে নাম-প্ৰসংগ, ভগৱত পাঠ আৰু হৰি কথা চৰ্চাৰ বাবে পোনতে যি গৃহ নিৰ্মাণ কৰিছিল সেই গৃহকেই দ্বিজ ভূষণ, ৰামচৰণ আদি চৰিতকাৰে পৰৱৰ্তী কালত সত্ৰ গৃহ নাম দিয়ে। শংকৰদেৱে দি যোৱা সত্ৰৰ এই প্ৰাথমিক ভেটিটোৰপৰাই তেওঁৰ বিয়োগৰ পিছত প্ৰধান শিষ্য মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদিয়ে সত্ৰ প্ৰতিষ্ঠা কৰে। উল্লেখযোগ্য যে শংকৰদেৱে সত্ৰৰ বীজটোহে ৰুইছিল, ই পত্ৰে-পুষ্পে বিকশিত হৈ পৰে পৰৱৰ্তী কালত মাধৱদেৱ আৰু দামোদৰদেৱৰ প্ৰচেষ্টাত। সত্ৰ এখনৰ কেন্দ্ৰত পুৱা-পশ্চিমাকৈ থাকে নামঘৰ আৰু চাৰিওফালে কাষতে ভকতসকল থাকিবৰ বাবে হাটী। লক্ষ্মীনন্দন বৰাৰ ভাষাতে ক'ব পাৰি "নামঘৰ আৰু হাটীৰ সংমিশ্ৰণেই হ'ল সত্ৰ।"

শংকৰী সংস্কৃতিৰ মূল সুঁতি বা উপাদান হ'ল- 'নামঘৰ সত্ৰ'। ভাৰতীয় সংস্কৃতিত 'সত্ৰ' শব্দটো নতুন নহয়। শ্ৰীমদ্ভাগৱততে 'ব্ৰহ্ম-সত্ৰ আৰু কৰ্ম-সত্ৰ' নামৰ দুবিধ সত্ৰৰ কথা উল্লেখ আছে। বৌদ্ধ বিহাৰসমূহৰ কৰ্ম পদ্ধতিৰ লগত অসমৰ 'সত্ৰ'সমূহৰ উদ্দেশ্যৰ কিছু সামঞ্জস্য আছে। 'ব্ৰহ্মসত্ৰ'ৰ ৰজা আৰু শ্ৰোতা সমানে বহি ব্ৰহ্ম সম্পৰ্কে আলোচনা কৰে। গুৰু শিষ্যৰ ভিন্নতা এই সত্ৰসমূহত দেখা পোৱা নাযায়। শংকৰদেৱে অসমত সত্ৰৰ ধাৰণা স্থাপন কৰিবৰ সময়ত ভাগৱতৰ এই ব্ৰহ্মসত্ৰৰ নিদৰ্শন প্ৰধানভাৱে গ্ৰহণ কৰিছিল। সেয়েহে গুৰুজনাই সকলো জাতি-জনজাতিক একলগ কৰি সত্ৰ সমূহত ধৰ্মৰ দীক্ষা দিছিল। তেওঁৰ ধৰ্মৰ পৰা মুছলমানৰ চান্দসাই আৰু গাৰোৰ গোবিন্দও বাদ পৰা নাছিল।

যিসময়ত অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ ধৰ্মাচাৰ্য্য শংকৰদেৱ মাধৱদেৱে অধিপত্য প্ৰতিষ্ঠা কৰিছিল একে সময়তে ভাৰতবৰ্যৰ প্ৰায়বোৰ স্থানতে বিভিন্নজন ধৰ্মগুৰুৱে ধৰ্ম প্ৰচাৰ কৰি সেই সময়ৰ ভাৰতবৰ্ষৰ নাগৰিক সকলক ধৰ্মৰ

প্ৰতি জাগ্ৰত কৰি তুলিছিল। গতিকে ক'ব পাৰি যে একশৰণ ভাগৱতী ধৰ্ম প্ৰচাৰৰ অৰ্থেই সত্ৰসমূহ স্থাপন কৰা হৈছিল।

**১.০১ সত্ৰৰ বিভিন্ন ভাগ আৰু বিস্তৃতি ঃ**

সত্ৰৰ অধিকাৰ, ভকত আদিৰ প্ৰকৃতি অনুসৰি সত্ৰানুষ্ঠানবোৰক সাধাৰণতে তিনিটা শ্ৰেণীত ভগাব পাৰি, যথা - (ক) উদাসীন, (খ) অৰ্ধ -উদাসীন, (গ) গৃহস্থী।

যিবোৰ সত্ৰ কেৱল উদাসীন বা কেৱলীয়া ভকতৰ বাসস্থান, য'ত ঈশ্বৰ চিন্তা, উপাসনা আদিয়েই ভকতসকলৰ দৈনন্দিন জীৱনৰ প্ৰধান কাৰ্যসূচী, য'ত নাৰীৰ ৰাত্ৰিবাস নিষেধ, যিবোৰৰ চৌহদত সাধাৰণতে গৃহস্থী জীৱন-যাপন কৰিবলৈ দিয়া নহয়, তেনেবোৰ সত্ৰক উদাসীন সত্ৰ বুলি কোৱা হয়। যেনে - আউনীআটী সত্ৰ, দক্ষিণপাট সত্ৰ আদি।

যিবোৰ সত্ৰৰ নিৰ্দিষ্ট দিশত গৃহস্থী বা গৃহীসকলৰ বাসস্থান আৰু তাৰ বিপৰীতে নিৰ্দিষ্ট দিশত উদাসীনসকলৰ হাটীৰ ব্যৱস্থা আছে; য'ত সত্ৰাধিকাৰ, ডেকা সত্ৰাধিকাৰ আৰু মুখ্য সত্ৰীয়াসকলে উদাসীন জীৱন-যাপন কৰে, তেনেবোৰ সত্ৰক অৰ্ধ উদাসীন সত্ৰ বোলা হয়। যেনে - বৰপেটা সত্ৰ।

আনহাতে যিবোৰ সত্ৰৰ সত্ৰীয়াসকলে সমাজৰ আন দহজনৰ দৰেই গৃহস্থী জীৱন-যাপন কৰি তাৰ মাজতে শিষ্যক শৰণ দি ধৰ্মীয় আচাৰ-অনুষ্ঠান পালন কৰি ধৰ্ম প্ৰচাৰ আদিত অৰিহনা যোগাই আহিছে তেনেবোৰ সত্ৰই হ'ল গৃহস্থী সত্ৰ। অসমৰ সৰহখিনি সত্ৰই এই শ্ৰেণীৰ।

চৰিতকাৰসকলৰ আদৰ্শ অনুসৰি আকৌ সত্ৰসমূহক তিনিটা শ্ৰেণীত ভগাব পাৰি, যথা - (ক) মূল, (খ) আজ্ঞাপৰ আৰু (গ) শলাবন্তি।

যেতিয়া কোনো ভকত বা শিষ্যই গুৰুৰ আজ্ঞাৰে বা আদেশক্ৰমে নতুন সত্ৰ প্ৰতিষ্ঠা কৰে, তেতিয়া তেনে সত্ৰক আজ্ঞাপৰ সত্ৰ বোলা হয়। আকৌ যেতিয়া মূল সত্ৰ প্ৰতিষ্ঠাৰ সতি-সন্ততি সকলে মূল সত্ৰৰ পৱিত্ৰ বুলি ভৰা এপদ বা অধিক বস্তু নি সেই সত্ৰৰ নামত বা ভিন্ন নামত নতুন সত্ৰ প্ৰতিষ্ঠা কৰে তেনে সত্ৰক শলাবন্তি সত্ৰ বোলে। অসমৰ বহুবোৰ সত্ৰই এই শ্ৰেণীৰ সত্ৰ।

শংকৰদেৱৰ পৰৱৰ্তী কালত বিভিন্ন কাৰণত মহাপুৰুষীয়া ধৰ্মই চাৰিটা ঠালত বিভক্ত হৈ চাৰি সংহতি নামেৰে পৰিচিত হৈ পৰে। সেই চাৰি সংহতি হ'ল -

**(ক) ব্ৰহ্ম সংহতি ঃ** দামোদৰদেৱ আৰু তেওঁৰ শিষ্য-প্ৰশিষ্য তথা হৰিদেৱ আৰু তেওঁৰ শিষ্য-প্ৰশিষ্যসকলে প্ৰতিষ্ঠা কৰা সত্ৰসমূহক এই শাখাৰ অন্তৰ্ভূক্ত বুলি ধৰা হয়। ব্ৰহ্ম সংহতিৰ প্ৰায়বোৰ সত্ৰতে ধৰ্মাচাৰ্য্যসকল প্ৰধানকৈ ব্ৰাহ্মণ শ্ৰেণীৰ। এই পন্থৰ লোকসকলে ভক্তি ধৰ্মৰ লগতে ব্ৰাহ্মণৰ নিত্য-নৈমিত্তিক ৰীতি-নীতি পালন কৰে। অসমীয়া বৈষ্ণৱসকলৰ চাৰি বস্তুৰ ভিতৰত এওঁলোকে দেৱক বেছি প্ৰাধান্য দিয়ে। তদুপৰি বিষ্ণু মূৰ্তি বা বিষ্ণুনাৰায়ণৰ প্ৰতীক ৰূপৰ শালগ্ৰাম পূজাটো গুৰুত্ব আৰোপ কৰে। ভগৱান দেৱৰ গোবিন্দপুৰ সত্ৰ, বনমালীদেৱৰ দক্ষিণপাট সত্ৰ, হৰিদেৱৰ মানেৰি সত্ৰ, বংশী গোপালদেৱৰ কুৰুৱাবাহী সত্ৰ, নিৰঞ্জন পাঠকৰ আউনীআটী সত্ৰ আদি এই সংহতিৰ পৰিসৰত ধৰা হয়।

**(খ) পুৰুষ সংহতি ঃ** শংকৰদেৱৰ জীয়াৰী নাতিৰ ফালৰপৰা 'প্ৰভুৰ জীউধৰা ডাল' মহাপুৰুষীয়া চাৰি সত্ৰ- নৰোৱা, কোৱামৰা, দীঘলী আৰু চামগুৰি সত্ৰ; পুৰুষানুক্ৰমে অহা আৰু গুৰু নাতি পুৰুযোত্তম ঠাকুৰ, চতুৰ্ভূজ ঠাকুৰৰ আজ্ঞাৰে প্ৰতিষ্ঠিত মুলটিৰ নাম পুৰুষ সংহতি। এই শাখাৰ লোকসকলে দিয়া ব্যাখ্যা মতে মূল পুৰুষ নাৰায়নেই এওঁলোকৰ প্ৰধান আৰু প্ৰথম উপাস্য দেৱতা, সেয়ে পুৰুষ সংহতি। আনহাতে আন এচামৰ মতে মহাপুৰুষ শংকৰদেৱ প্ৰৱৰ্তিত ধৰ্মৰ সকলো সংস্কাৰ ইয়াত অবিকলভাৱে অটুট আছে সেয়ে পুৰুষ সংহতি।

**(গ) কাল সংহতি ঃ** গোপাল আতাৰ আজ্ঞাৰে কালজাৰ মানৰ পৰা সৃষ্টি হোৱা সত্ৰসমূহক কাল সংহতিৰ সত্ৰ

বুলি কোৱা হয়। গোপাল আতা 'কাল সংহতি'ৰ প্ৰৱৰ্তক। শংকৰদেৱৰদ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মৰ চাৰি বস্তুৰ ভিতৰত গুৰুবাদৰ ওপৰত এই সংহতিয়ে অধিক গুৰুত্ব দিয়ে। গুৰুৰ প্ৰতি একান্ত পৰাকাষ্ঠা স্থাপন কৰাই এই সংহতিৰ অন্যতম বৈশিষ্ট্য। এই সংহতিৰ অনুগামীসকলে গুৰুক ভগৱান জ্ঞান কৰি তেওঁৰ প্ৰতি ভক্তি অটুট ৰাখিবলৈ চেষ্টা কৰে। ইয়াত ব্ৰাহ্মণ্য ক্ৰিয়া কাণ্ডৰ আধিক্য নাই। এই সংহতিৰ সত্ৰসমূহৰ ভিতৰত বাঁহবাৰী, শিলিখাতল, দিহিং, ন-মাতি আদি উল্লেখযোগ্য।

**(গ) নিকা সংহতি ঃ** মথুৰাদাস বুঢ়া আতা, পদ্ম আতা, কেশৱ আতা আদিয়ে প্ৰতিষ্ঠা কৰা সত্ৰসমূহ নিকা সংহতিৰ অন্তৰ্গত। কঠোৰ নীতি কাণ্ঠা, নিষ্কাম ভাৱ আৰু এক শৰণৰ ওপৰত গভীৰভাৱে প্ৰাধান্য দিয়া হেতু এই শাখাটোক নিকা, নিত্য বা নিষ্ঠা সংহতি বুলি কোৱা হয়। এই সংহতিৰ অনুগামীসকলে দৈনন্দিন জীৱনত দেহ-মনৰ পৱিত্ৰতা ৰক্ষা কৰি চলাৰ ওপৰত অধিক গুৰুত্ব দিয়ে। এই সংহতিত বামুণীয়া ক্ৰিয়া কৰ্মৰ প্ৰাধান্য নাই। কমলাবাৰী, মধুপুৰ, বৰপেটা এই সংহতিৰ প্ৰধান সত্ৰ।

উপৰুক্ত চাৰিওটা সংহতিৰপৰা গঢ় লোৱা সত্ৰসমূহত ক্ৰমান্বয়ে নানান ৰীতি-নীতি, ক্ৰিয়াকলাপৰ সংযোজন ঘটিল। ইয়াৰ মাজতে কিছুমান সত্ৰই আহোম ৰাজত্বৰ পৃষ্ঠপোষকতা লাভ কৰিলে। ফলস্বৰূপে এই সত্ৰসমূহত ৰাজকীয় ব্যৱস্থা সোমোৱাৰ লগতে ধনজন লাভ কৰি অভিজাত শ্ৰেণীত পৰিনত হ'ল। আনবোৰ সত্ৰই আকৌ ৰাজ অনুগ্ৰহৰপৰা দূৰত থাকি মাথো সত্ৰৰ লগত জড়িত শিষ্যসকলৰ শ্ৰদ্ধা আৰু সমৰ্থনেৰে বৰ্তি থাকিল।

প্ৰতিখন সত্ৰ সুপৰিকল্পিতভাৱে পৰিচালনা কৰিবৰ বাবে কিছুমান বিষয়ববীয়া নিয়োজিত কৰা হয়। সত্ৰৰ প্ৰশাসন নিৰ্ভৰ কৰে বিশেষকৈ ইয়াৰ প্ৰকৃতিৰ ওপৰত। সেই অনুসৰি সত্ৰৰ বিষয়ববীয়া সত্ৰ অনুযায়ী তাৰতম্য ঘটে। তলত সত্ৰৰ মূল বিষয়ববীয়াসমূহৰ বিষয়ে উল্লেখ কৰা হ'ল।

● **সত্ৰাধিকাৰ ঃ** প্ৰতিখন সত্ৰতে এজন মূল বা প্ৰধান সত্ৰাধিকাৰ থাকে আৰু তেওঁ বিষয়ববীয়াসকলৰ সহযোগত নামঘৰ, মণিকূট আৰু সত্ৰৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠান আদি পৰিচালনা কৰে। কিছুমান সত্ৰত আকৌ একো একোজন ডেকা সত্ৰাধিকাৰ থাকে। প্ৰধান সত্ৰাধিকাৰৰ অনুপস্থিতিত এই ডেকা সত্ৰাধিকাৰজনে তেওঁৰ ঠাইত সত্ৰ পৰিচালনা কৰে।

● **মেধি ঃ** শিষ্য সমাজখনৰ সম্পৰ্ক ৰক্ষা কৰা প্ৰধান বিষয়াজনেই হ'ল মেধি। মেধিক পৰ্যায়ক্ৰমে- ৰাজমেধি, বৰমেধি, পাখিমেধি আদিত বিভক্ত কৰা হয়। গুৰুকৰ, পঁচা আদি কৰ তোলাৰ দায়িত্ব মেধিৰ। কোনো কোনো সত্ৰত আকৌ অধিকাৰৰ প্ৰতিনিধিৰূপে ৰাজমেধিয়ে শৰণ-ভজনো দিয়ে।

● **মুক্তিয়াৰ ঃ** সত্ৰৰ পঞ্জীয়কজনক মুক্তিয়াৰ বোলা হয়। সত্ৰৰ হিচাপ-পাতি ৰখা, অধ্যাদেশ জাৰি কৰা আদি কামবোৰ মুক্তিয়াৰৰ।

● **আলধৰা ঃ** সত্ৰাধিকাৰজনৰ ব্যক্তিগত কাম-কাজৰ সহায়কজনক আলধৰা বোলা হয়।

**পাচনি ঃ** সত্ৰৰ ভিতৰে- বাহিৰে শিষ্যসকলৰ খবৰ-পাতি ৰখাজনক পাচনি বোলা হয়। এওঁ কেতিয়াবা অধিকাৰৰ আলধৰা কামো কৰে।

● **নামঘৰীয়া ঃ** সত্ৰৰ নামঘৰ সাৰি-মচি পৰিষ্কাৰকৈ ৰাখিবৰ বাবে বিশেষকৈ এই ব্যক্তিজনক নিয়োগ কৰা হয়।

● **নাম লগোৱাঃ** সত্ৰৰ নাম-প্ৰসংগ চলোৱা ব্যক্তিজনক নাম লগোৱা বোলে।

● **খাটনিয়াৰ ঃ** সত্ৰ আৰু ৰজাঘৰৰ মাজত বিভিন্ন বিষয়ত সম্পৰ্ক ৰখা ব্যক্তিজনক খাটনিয়াৰ বোলা হয়।

● **পাঠক ঃ** নাম-প্ৰসংগৰ অন্তত ভাগৱত, ৰত্নাৱলী আদি পুথিৰ পদ মুৰ লগাই গোৱা ব্যক্তিজনক পাঠক বোলে।

● **ভাগৱতী ঃ** এওঁ ভাগৱত আদি পাঠ আৰু ব্যাখ্যা কৰে।

● **গায়ন-বায়ন ঃ** নিত্য-প্ৰসংগ, ভাওনা আদি উৎসৱত খোল প্ৰসংগ কৰা, গীত-মাত গোৱা ব্যক্তিসকলেই হ'ল গায়ন-বায়ন।

● **সূত্ৰধাৰ ঃ** সত্ৰৰ প্ৰধান সংগীতজ্ঞ আৰু নৃত্যকাৰ জনেই হ'ল সূত্ৰধাৰ। এওঁ ভাওনাত সূত্ৰধাৰৰ ভাও দিয়াৰ উপৰিও ভাৱৰীয়া আৰু নটুৱাক ভাও, নাচ আদি শিকাব লাগে।

● **দেউৰী ঃ** মাহ প্ৰসাদ যোগাৰ আৰু প্ৰসংগৰ অন্তত সমজুৱাৰ মাজত প্ৰসাদ বিতৰণ কৰা লোকজনক দেউৰী বোলা হয়।

● **ওজাপালি ঃ** সংগীতজ্ঞসকলৰ ভিতৰত যিসকল অভিজ্ঞ তেওঁলোকক ওজাপালিৰ বাব দিয়া হয়।

● **খনিকৰ ঃ** ভাওনাৰ ছো-মুখা, সত্ৰৰ আসন, থাপনা, ঠগা, পুথি আদিত চিত্ৰিত কৰিবৰ বাবে ৰখা বিষয়া।

এই পদবোৰৰ উপৰি সত্ৰত আৰু ভালেমান পদ/বিষয়ববীয়া আছে। সেই আটাইবোৰে সত্ৰ এখন পৰিচালনাৰ ক্ষেত্ৰত সহায় কৰি আহিছে।

# দ্বিতীয় অধ্যায়

## ২.০০ অসমৰ সত্ৰ পৰম্পৰাৰ ইতিহাস ঃ

বৰদোৱাৰ পাছতে শংকৰদেৱে আহোম ৰজাৰ ৰোষত পৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ আহি ধুৱাহাট বেলগুৰিত সত্ৰ প্ৰতিষ্ঠা কৰাৰ কথা চৰিত পুথিত উল্লেখ আছে। পৰৱৰ্তী সময়ত দক্ষিণ পাৰত ক্ষেত্ৰী, কাপালত, চূণপোৰা, পালেদি, কমাৰকুছি আদি ঠাইলৈ গৈ সত্ৰ প্ৰতিষ্ঠা কৰে। সমসাময়িকভাৱে হৰিদেৱ মানৰিত, দামোদৰদেৱে বৈকুণ্ঠপুৰত আৰু মাধৱদেৱে সুন্দৰীদিয়া, গণককুছি আৰু বৰপেটাত সত্ৰ প্ৰতিষ্ঠা কৰে। শংকৰদেৱে দিয়া দায়িত্ব পালন কৰি গোপালদেৱে পৰৱৰ্তী কালত উজনি অসমৰ ডেবেৰা পাৰত প্ৰথম সত্ৰ প্ৰতিষ্ঠা কৰে।

সত্ৰ প্ৰতিষ্ঠাৰ কম সময়ৰ ভিতৰতে সত্ৰসমূহ ধৰ্ম প্ৰচাৰৰ উপৰিও সাহিত্য, সংগীত, নৃত্য, নাট, স্থাপত্য, ভাস্কৰ্য্য আদি কলাসমূহৰ চৰ্চা আৰু অনুশীলনৰ কেন্দ্ৰৰূপে পৰিগণিত হৈ উঠে। তদুপৰি নামঘৰ, গুৰুগৃহ, মণিকুট, ভকতৰ হাটী, ভঁৰাল ঘৰ, অতিথিশালা, কৰাপাট আদি নিৰ্মাণেৰে সত্ৰৰ পৰিসৰ বৃদ্ধি কৰা হ'ল। এনেদৰে পূৰ্ণ পৰ্যায়ৰ সত্ৰ নিৰ্মাণত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল মাধৱদেৱ আৰু দামোদৰদেৱে।

অসমীয়া জাতিয়ে সঠিক ৰূপত গঢ় লোৱাৰ সময় বুলিলে শংকৰদেৱৰ সমাজ সংস্কাৰৰ সময়খিনিকে ধৰি লোৱা হয়। পূৰ্বৰ অন্ধবিশ্বাস, বলিপ্ৰথাৰ ঠেক চিন্তাধাৰাক আঁতৰাই শংকৰদেৱে এক নৱ অভ্যুদয়ৰ সমাজ প্ৰতিষ্ঠা কৰিছিল। সাধাৰণ লোকে প্ৰথমে ইয়াক সহজভাৱে ল'ব নোৱাৰাৰ বাবে শংকৰদেৱে প্ৰথমে মৌলিক শ্ৰীকৃষ্ণ কথা, পাঠ আৰু কিছু উৎসৱ- নাটেৰে নৱ-বৈষ্ণৱৰ চেতনা প্ৰতিজন অসমীয়াৰ মনত সুমুৱাই যাবলৈ সক্ষম হয়।

গুৰুজনাৰ উদ্যোগত সামাজিক নৈতিকতাৰ দিশত জন-সমাজৰ জীৱন দৰ্শন আৰু আধ্যাত্মিকতাই নিজৰ বাট বুলিলে এক বলিষ্ঠ ৰূপত। লাহে লাহে শংকৰী কলা-কৃষ্টিৰ উপাদানসমূহে চৰ্চাৰ জগত এখন সৃষ্টি কৰে। বিভিন্ন নাট, যাত্ৰা আৰু প্ৰসংগৰে নামঘৰ আৰু সত্ৰসমূহ এই চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰে। ইয়াৰ পাছৰ পৰ্যায়ত তেখেতে কিছু নাটৰ সৃষ্টি সাধাৰণ মানুহৰ বোধগম্য হোৱাকৈ মঞ্চস্থ কৰিবলৈ ধৰে। লাহে লাহে সকলো সত্ৰ, নামঘৰত তেখেতৰ নাটৰ চৰ্চা আৰম্ভ হয়।

নৱ-বৈষ্ণৱৰ আন্দোলনৰ ফলস্বৰূপে প্ৰতিষ্ঠা হোৱা সত্ৰসমূহে অসমৰ ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনৰ পাঁচশ বছৰৰো অধিক কাল ধৰি বিশেষ ভূমিকা পালন কৰি আহিছে। সত্ৰসমূহক কেন্দ্ৰ কৰিয়েই সাহিত্য, সংগীত আৰু বিবিধ শিল্প, কলাৰ উদ্ভাৱন ঘটিছে। অসমৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ, গাঁৱৰ চুকে- কুণে সত্ৰবোৰ স্থাপিত হৈ সমগ্ৰ অসমবাসীক এটা ধৰ্মৰ ডোলেৰে বান্ধি ঐক্য আৰু সংহতি প্ৰতিষ্ঠাৰ প্ৰভূত বৰঙণি যোগায় আহিছে। মানুহৰ শৰণ-ভজনৰ দ্বাৰা আত্মবিশ্বাস আৰু আত্ম-উপলব্ধিৰ কৰ্ষণৰ বাবে অতীতৰে পৰা সত্ৰবোৰে অৱদান যোগাই আহিছে। সামগ্ৰিকভাৱে বৈষ্ণৱ ধৰ্মৰ মূল আদৰ্শবোৰ বৰ্তাই ৰাখিছে সত্ৰসমূহে। যদিও সত্ৰৰ সংহতি বিভাজনে সত্ৰবোৰৰ মাজতেই কিছু বিভেদ সৃষ্টি কৰিছে আৰু পৰম্পৰা বা ৰীতি-নীতিৰ পৰিৱৰ্তন সাধন কৰি লৈছে, তথাপিও এনে পৰম্পৰাৰ মাজতেই সংপৃক্ত হৈ আছে অসমৰ সামাজিক জীৱন পদ্ধতি। সংসাৰৰ মায়ামোহ সম্পূৰ্ণৰূপে পৰিত্যাগ কৰি কেৱল ঈশ্বৰ উপাসনাৰ মাজেৰেই জীৱন অতিবাহিত কৰা 'কেৱলীয়া ভকত'ৰ যি পৰম্পৰা কিছু কিছু সত্ৰৰ মাজত আজি পৰ্যন্ত বৰ্তি আছে; এনে পৰম্পৰাও সাধাৰণ মানুহৰ বাবে পৰম কৌতুহলৰ বিষয়। তদুপৰি সত্ৰসমূহৰ এক মহৎ দিশ হ'ল - ইয়াত কোনো দেৱতাক পূজা কৰা নহয়। এই সত্ৰসমূহতে আছে শংকৰ-মাধৱ গুৰু দুজনাৰ লগতে অন্যান্য সকলৰ অনুপম সৃষ্টি সাংস্কৃতিক সম্পদ। ভাগৱত, নামঘোষা, কীৰ্তন আদিকে মূখ্য কৰি সাঁচিপাতৰ বিভিন্ন পুথিলৈকে সত্ৰসমূহে যথোচিতভাৱে সংৰক্ষণ কৰি ৰাখিছে।

অতীজৰে পৰা চলি অহা সত্ৰৰ এটি গুৰুত্বপূৰ্ণ কৰ্ম হ'ল শৰণ দিয়া প্ৰথা। এই প্ৰথাৰ দ্বাৰা ভকতক আধ্যাত্মিক শিক্ষাৰে শিক্ষিত কৰি গুৰুমুখী কৰি তোলা হয়। অসম আৰু বিভিন্ন ৰাজ্যত সত্ৰই শৰণ দিয়া ভকত আছে। এই ভকতসকলে সত্ৰৰ কৰ-কাটল আৰু দান-দক্ষিণা কৰে। এইবোৰৰ পৰাই সত্ৰৰ আৰ্থিক দিশটো টনকিয়াল

কৰা হয়। সত্ৰৰ জাতি-ধৰ্ম, বৰ্ণ নিৰ্বিশেষে শৰণ ল'ব পাৰে।

ইয়াৰোপৰি সত্ৰৰ পৰম্পৰা ৰক্ষা কৰি সত্ৰত চলি অহা সত্ৰৰ নিত্য কৰ্ম আৰু অনুষ্ঠান, সত্ৰীয়া নাম প্ৰসংগ, নৈমিত্তিক কৰ্ম তথা উৎসৱ-অনুষ্ঠান, সত্ৰৰ পালনীয় আচাৰ-নীতি, সত্ৰীয়া গীত, নৃত্য, বাদ্য আৰু ভাওনা ইত্যাদি বিষয়ে তলত উল্লেখ কৰা হ'ল-

**২.০১ সত্ৰৰ নিত্য কৰ্ম — সত্ৰীয়া নাম-প্ৰসংগ ঃ**

সত্ৰৰ দৈনন্দিন পালনীয় কাৰ্য তালিকাৰ ভিতৰত প্ৰাৰ্থনা অন্যতম। সমূহীয়াভাৱে কৰা প্ৰাৰ্থনাক 'প্ৰসংগ নাম' বোলা হয় আৰু সত্ৰসমূহৰ ভক্তবৈষ্ণৱৰ সহযোগত সমূহীয়াভাৱে কৰা দৈনিক প্ৰাৰ্থনাই 'চৈধ্য-প্ৰসংগ'। আগৰ দিনত চৈধ্য-প্ৰসংগ ৰক্ষা কৰাটো প্ৰত্যেক সত্ৰৰে কৰ্তব্য আছিল। মাধৱদেৱক 'চৈধ্য-প্ৰসংগ'ৰ প্ৰৱৰ্তক বুলি ধৰা হয় যদিও তেওঁৰ পৰৱৰ্তী পুৰুষোত্তম ঠাকুৰেহে প্ৰসংগ প্ৰণালীৰ ৰীতি-নীতিৰ এক সুনিৰ্দিষ্ট ৰূপ দিয়ে। প্ৰথম অৱস্থাত 'চৈধ্য-প্ৰসংগ'ৰ নিয়ম কটকটীয়া আছিল যদিও পাছলৈ এই নিয়ম ঢিলাহে 'চৈধ্য-প্ৰসংগ'ৰ ঠাইত 'চাৰি-প্ৰসংগ'হে ৰ'লগৈ। এই চাৰি-প্ৰসংগ হ'ল - পুৱাৰ ভাগ, ডেৰ-পৰীয়াৰ ভাগ, বিয়লিৰ ভাগ আৰু সন্ধিয়াৰ ভাগ। বটদ্ৰৱা থান বৰ্ণনাৰ গীত এটিত এনে উদাহৰণ পোৱা যায়-

চাৰিফালে চাৰি হাটী মহাভক্তগণ
চাৰিও প্ৰসঙ্গ কৰে নামৰ কীৰ্তন।৪

সত্ৰত প্ৰচলিত চৈধ্য-প্ৰসংগ হ'ল - পুৱা তাল কোবোৱা প্ৰসংগ, পুৱা আইসকলৰ নাম, দেৰ-পৰীয়া দবা-কাঁহ কোবাই উঠি কৰা নাম পাঠ, বিয়লিৰ আইসকলৰ নাম, সন্ধিয়াৰ দবা-কাঁহ বজাই উঠি কৰা তালকোবোৱা প্ৰসংগ, সন্ধিয়াৰ গুণ আৰু সন্ধিয়াৰ নাম-পাঠ, মঞ্জিৰা নাম, পাঠ বা উপদেশ, দেৰ-পৰীয়াৰ প্ৰসংগ, বিয়লিৰ যোৰা বা খোল প্ৰসংগ, ঘোষা-কীৰ্তন, যোৰা বা খোল প্ৰসংগ, শেষ পাল যোৰা। গতিকে দেখা যায় যে চৈধ্য-প্ৰসংগৰ লেখ থাকিলেও সকলো সত্ৰতে সদায় তাক পূৰ্ণ ৰূপত পালন কৰা নহয়।

সত্ৰীয়া চৈধ্য-প্ৰসংগৰ ভিতৰত পুৱাৰ আইসকলৰ নাম, দেৰ-পৰীয়াৰ নাম, বিয়লিৰ আইসকলৰ নাম আৰু সন্ধিয়াৰ গুণসহ নাম প্ৰসংগই প্ৰধান। ইয়াৰ ভিতৰত আকৌ দেৰ-পৰীয়াৰ প্ৰসংগক দিনটোৰ ভিতৰত মূল প্ৰসংগ বুলি ধৰা হয়।

চৈধ্য-প্ৰসংগৰ এনে ভাগ কৰোঁতে কোনো কোনো সত্ৰত সামান্য পৰিৱৰ্তিত ৰূপত কৰা দেখা যায়; কেতিয়াবা বিয়লিৰ শূণ্য পাঠকো কোনোৱে চৈধ্য-প্ৰসংগৰ ভিতৰুৱা বুলি ধৰে আৰু সেইমতে কোনোৱে আকৌ সন্ধিয়াৰ গুণ আৰু নাম বেলেগে দুটি প্ৰসংগ হিচাপেও ধৰা দেখা যায়। থুলমুলকৈ সত্ৰৰ দৈনন্দিন পালনীয় চৈধ্যটি প্ৰসংগক এনেদৰেই ভাগ কৰি দেখুৱাব পৰি যদিও সত্ৰ আৰু সংহতিভেদে সামান্য পাৰ্থক্যও কেতিয়াবা পৰিলক্ষিত হয়।

**২.০২ সত্ৰৰ নৈমিত্তিক কৰ্ম তথা সত্ৰৰ উৎসৱ-অনুষ্ঠান ঃ**

নিত্য প্ৰসংগৰ দৰে নৈমিত্তিক কেতবোৰ অনুষ্ঠান সত্ৰত পালন কৰা হয়। এই ক্ষেত্ৰত ভাদ মাহত পালন কৰা অনুষ্ঠানবোৰ বিশেষভাৱে উল্লেখযোগ্য। ইছলাম ধৰ্মাৱলম্বী লোক এজনৰ বাবে ৰমজান মাহ যিমান পৱিত্ৰ, বৈষ্ণৱধৰ্মী অসমীয়াৰ বাবেও সিমানেই পৱিত্ৰ ভাদ মাহ। ভক্তিৰসৰ সাগৰ বৈ যায় এই মাহটোত। পৱিত্ৰ ভাদ মাহটিৰ কেইটিমান বিশেষ অনুষ্ঠান সত্ৰসমূহত আড়ম্বৰপূৰ্ণ ভাৱে পালন কৰা হয়। শাওন-ভাদৰ সংক্ৰান্তিৰ দিনাই মাহটোৰ বাবে সত্ৰৰ কীৰ্তন ঘৰত নাম ৰখা হয় আৰু মাজৰ কালছোৱাত 'গুৰু দুজনাৰ তিথি', 'জন্মাষ্টমী', 'পচতি' আদি উৎসৱ পালন কৰা হয় আৰু শেষৰ দিনা 'সামৰণি নাম' পতা হয়। কোনো কোনো সত্ৰত আকৌ প্ৰথম সংক্ৰান্তিৰ দিনাই পালনাম আৰম্ভ কৰি শেষৰ দিনা পাল সামৰণি মাৰে। ইয়াৰ উপৰি 'বেহাৰ গোৱা' আৰু 'বেহাৰ নচুৱা' সত্ৰত পালন কৰা হয়। সত্ৰ আৰু বিশেষকৈ সংহতিভেদে ভাদমাহৰ তিনিটি ঘাই অনুষ্ঠান পালনৰ নিয়ম

সামান্য ইফাল-সিফাল হ'লেও তলত দিয়া ধৰণেই প্ৰায় ইয়াক পালন কৰা হয়-

**(ক) গুৰুকীৰ্তন বা শংকৰদেৱৰ তিথি ঃ**

ভাদ মাহৰ নিত্য প্ৰসংগৰ নিয়ম সুকীয়া। ভাদৰ শুক্লা দ্বিতীয়া তিথিত গুৰুকীৰ্তন কৰা হয়। এই তিথি বৈষ্ণৱ ভকতসকলৰ বাবে এক উল্লেখযোগ্য পৱিত্ৰ অনুষ্ঠান। শংকৰদেৱৰ মহাপ্ৰয়াণক কেন্দ্ৰ কৰি মাধৱদেৱৰ দিনৰেপৰা সত্ৰসমূহত এই তিথি অতি শ্ৰদ্ধাৰে অনুষ্ঠিত হৈ আহিছে। মাধৱদেৱৰ মৃত্যু অনুসৰি ভাদ মাহৰ কৃষ্ণা পঞ্চমীত এই তিথি পালন কৰা হয়। বৈষ্ণৱসকলৰ বাবে এই গুৰু তিথিয়েই সকলোতকৈ ডাঙৰ উৎসৱ। তিথি উৎসৱৰ আগদিনা ৰাতি গোৱা যোৰা প্ৰসংগতে 'গন্ধ' গায় অৰ্থাৎ নিৰ্দিষ্ট গীতৰ অন্তত তাল খোলেৰে এটি ঘোষা গোৱা হয়। তিথিৰ দিনা দোকমোকালিৰে পৰা চলি থকা বিভিন্ন প্ৰসংগৰ বাবে সত্ৰই প্ৰতি নিৰ্ধাৰিত গীত-মাত আৰু কীৰ্তন-ঘোষাৰ ব্যৱস্থা আছে। এই দিনটোৰ কাৰ্যতালিকাক তিনিটা ভাগত ভগাব পাৰি -

**পুৱাৰ ভাগ -**

১/ দোক-মোকালিৰ তাল কোবোৱা প্ৰসংগ
২/ মঞ্জিৰা নাম
৩/ যোৰা বা খোল প্ৰসংগ
৪/ বুঢ়ী ভকতি বা আইসকলৰ পুৱাৰ প্ৰসংগ
৫/ যোৰা প্ৰসংগ
৬/ দেৰপৰীয়াৰ নাম বা প্ৰসংগ
৭/ ঘোষা কীৰ্তন
৮/ সন্ধিয়াৰ যোৰা প্ৰসংগ
৯/ আইসকলৰ সন্ধিয়াৰ নাম
১০/ তাল কোবোৱা
১১/ সন্ধিয়াৰ ঘোষা কীৰ্তন
১২/ ৰাতিৰ ঘোষা প্ৰসংগ
১৩/ সন্ধিয়াৰ গুণ আৰু
১৪/ নাম পাঠ।

**(খ) জন্মাষ্টমী ঃ**

ভাদমাহৰ আন এটি বিশেষ অনুষ্ঠান হ'ল শ্ৰীকৃষ্ণৰ জন্মাষ্টমী। ভগৱান শ্ৰীকৃষ্ণৰ জন্মৰ ওপৰত ভিত্তি কৰি পালন কৰা অনুষ্ঠানটোৱেই হ'ল জন্মাষ্টমী উৎসৱ। ইয়াতো আগদিনা ৰাতিৰ যোৰাৰ অন্তত এটি ঘোষা তাল-খোলেৰে গাই গন্ধ গোৱা ৰীতি পালন কৰা হয়। পুৱাৰ যোৰা প্ৰসংগত এটি গীত মাথোন গায় আৰু পুৱাৰ তাল কোবোৱা প্ৰসংগৰ অন্তত মঞ্জিৰা নাম গেৱা হয়। দিনৰ অৰ্থাৎ দেৰপৰীয়া যোৰা প্ৰসংগ বা খোল প্ৰসংগত দুটি গীত গোৱা হয়; প্ৰথম গীতটি মাধৱদেৱৰ 'গোবিন্দ চিন্তহুবাল গোপালং', তাৰ পাছত ৰাতিলৈ গোপাল আতাই লিখা জন্মযাত্ৰা নাটৰ ভাওনা কৰা হয় বাবে সেই নাটৰ ' এ দৈৱকি সতী বোলত কংসৰ মুখ চাই' শীৰ্যক গীতটি গায়। গীতৰ অন্তত পুনৰ কীৰ্তনৰ 'কৃষ্ণসূৰ্য্য ভৈলন্ত উদিত, নামধৰ্ম কৰিলা বিদিত।' - এই ঘোষাটি তাল খোলেৰে গোৱা হয়।

**(গ) নন্দোৎসৱ বা পচতি ঃ**

কৃষ্ণ জন্মৰ পাছদিনা বা কেইদিনমানৰ পাছত অনুষ্ঠিত উৎসৱেই হ'ল নন্দোৎসৱ বা পচতি। পচতি এটি আকৰ্ষণীয় অনুষ্ঠান। গোপাল আতাৰ নন্দোৎসৱৰ ওপৰতে ভিত্তি কৰি দিন ভাওনাৰ দৰে ইয়াক পতা হয় যদিও

ইয়াৰ আৰম্ভ ভাওনাৰ দৰে নহয়। তদুপৰি পুৰুষৰ ভাগত স্থানভেদে অনেক উপৰুৱা কথা যোগ কৰি গ্ৰাম্য জীৱনৰ হাঁহিৰ খোৰাক যোগোৱা হয়। ৰামকৃষ্ণৰ জাতকৰ্ম কৰিবলৈ যোৱা গৰ্গ ঋষিৰ প্ৰৱেশৰ গীতত আছে -

'আৱত গৰ্গ হৰিগুণ গাই,
বসুৱা নাচন্ত দাড়ি পকাই।'৫

গৰ্গ ঋষিৰ লগত অহা বহুৱা আৰু পালি পহৰীয়াই সমাজত তন্ত্ৰ-মন্ত্ৰ, জৰা-ফুঁকা আদি কৰি পেট প্ৰৱৰ্তাবৰ যত্ন কৰাৰ দৃশ্য আমোদজনক। আগৰ দিনৰ জনসমাজৰ এটি চিত্ৰ এই অভিনয়ে দাঙি ধৰে। দৰ্শকৰ মাজৰ পৰা গৰ্গ ঋষিৰ অনুগামীসকলে কোনোবা এজনক বেমাৰী বুলি ধৰি আনি ৰোগৰ ভু-ভা লয়। কোনোবা পিলিঙা ডেকা ৰোগীয়ে ৰাতি সপোনত গাঁৱৰ কোনোবা আকাংক্ষিত গাভৰুক দেখাৰ দৰে ৰোগৰ বৰ্ণনা অথবা তেনে কোনোবা চকুত লগা এগৰাকীৰ নাম লৈ চিঁঞৰি থকা ৰোগীৰ দৰে ওলোৱা আদি ৰুচি বিগহিত, নিম্নস্তৰৰ হাস্যৰস সৃষ্টিৰ চেষ্টাও কেতিয়াবা কোনো কোনো ঠাইত কৰা দেখা যায়। তাৰ ফলস্বৰূপে তেনে বেমাৰীয়ে ছোৱালীৰ জুমৰ মাজৰ পৰা কোট-কোটনি আৰু আঙুলি ফুটাই দিয়া শাও খায় যদিও গাঁৱলীয়া জীৱনত সিয়ে ৰসৰ সঞ্চাৰ কৰে।

আইসকলে পতা পদ্ধতিত গৰ্গ আৰু নগৰীয়াসকলৰ ভাও বুঢ়ী আইসকলৰ ভিতৰতে লয়। সাজ-পোছাক একে থাকে মাথোন মুখত পাগুৰি আৰু মুখত পিঠাগুৰি দাড়ি-গোঁফ আঁকি তিলক আদি দি দিয়ে। গৰ্গৰ প্ৰৱেশৰ গীতটি আইসকলে তিনিটা তিনিটা চাপৰিৰে গায় আৰু বহা ঠাইৰ পৰা উঠি ভাঁও লওঁতাসকলে একে ঠাইতে থিয় হৈ হাতেৰে অঙ্গী-ভঙ্গী কৰি নাচি থাকে। এই অনুষ্ঠানৰ আটাইতকৈ আচৰিত হ'বলগীয়া কথা হ'ল আইসকলে গোৱা জোতিতালৰ 'হৰতে গোপিনী পুচয়ে ঘৰে ঘৰে শুন শুন সখিগণ' গীতটি। গ্ৰাম্য সমাজৰ অনাখৰী, আধা আখৰুৱা আইসকলে যেতিয়া চৈধ্য মাত্ৰাৰ গীতটি তিনি ভাগ তালত, তিনি চাপৰ, তিনি চাপৰ আৰু পাঁচ চাপৰকৈ অলপো আঁৰ নলগাকৈ গায়, তেতিয়া সেইসকলৰ সংগীতৰ মাত্ৰাৰ জ্ঞানৰ ওচৰত শিৰ দোঁ খাই আহে।

**(ঘ) মাধৱদেৱৰ তিথি ঃ**

ভাদৰ কৃষ্ণা পঞ্চমীতে মাধৱদেৱ মহাপুৰুষৰ প্ৰয়াণ তিথি। গুৰুকীৰ্তন পালন কৰাৰ দৰে তিথিৰ আগৰাতি যোৱা বা খোল প্ৰসঙ্গৰ লগত এটি ঘোষাৰ গন্ধ গোৱা হয়। তিথিৰ দিনা পুৱা আনদিনাৰ দৰে তাল কোবোৱা মঞ্জিৰা নাম এই দুই প্ৰসঙ্গ কৰা হয় যদিও মঞ্জিৰা নামৰ বাবে নিৰ্দিষ্ট ঘোষা আৰু কীৰ্তন আছে। ইয়াৰ পিছৰ ঘোষা বা খোল প্ৰসঙ্গত অৰ্জুন ভঞ্জন নাটৰ শেষ কল্যাণৰাগৰ 'জয় জয় জগজন তাৰণ কাৰণ' এই গীতটি গোৱা হয়।

আইসকলৰ পুৱাৰ নামৰ আগত আৰু দেৰপৰীয়াৰ যোৱাত গাবলগীয়া গীত হ'ল - 'শুনলো পণ্ডিত, হৰিপদ সেৱা, ৰসে থিৰ কৰো চিত্ত।' আইসকলৰ পুৱাৰ প্ৰসঙ্গত কীৰ্তনৰ শিশুলীলাৰ 'হে কৰুণাময়, ৰামকৃষ্ণ প্ৰভূ ৰঘুপতি' আৰু তাৰ পিছৰ 'ৰাম গোবিন্দ হৰি কৃষ্ণ গোপাল হৰি ৰাম' এই দুটি কীৰ্তন দিয়া হয়। আইসকলৰ মুখৰ দধিমথনৰ এই দিহাখিনি অতি মিঠা আৰু শুৱলা। সেইদৰে জন্মযাত্ৰাৰ দিহাখিনিতো দৈৱকীৰ কাকূ বাণীত চিৰচেনেহী মাতৃৰ পুত্ৰ দান খোজাৰ বৰ্ণনা অতি কৰুণ আৰু মৰ্মস্পৰ্শীভাৱে ফুটি ওলাইছে। দধিমথনৰ দিহা গাওঁতে আইসকল এনেভাৱে বিষয়বস্তুত নিমজ্জিত হয় যেন সিবিলাক নিজেই গোৱালী, চতুৰ কানাইৰ উভতিখন চকুৰ আগতে যেন দেখি আছো - আৰু দেখি আছে যশোদাই নিৰ্মমভাৱে শাস্তি দিবলৈ ওলোৱা দৃশ্য। বিভিন্ন ছন্দৰ ভিন ভিন সুৰৰ দিহাবোৰত এনেদৰে পৰিৱেশটি জীৱন্ত আৰু সুৰমুখৰিত হৈ উঠে।

ভাদৰ প্ৰথম সংক্ৰান্তিৰ দিনা দেৰপৰীয়াৰ খোল বা যোৱা প্ৰসঙ্গত আৰু নামৰ আগতে 'উদ্ধৱ বন্ধু হে মধুপুৰী ৰহল মুৰাৰি' গীতটি গোৱা হয়। ভাদৰ শেষ সংক্ৰান্তিৰ দিনা খোল প্ৰসঙ্গত 'মাই মাই হৰিক বিচুৰি কত ৰহবি' এই গীতটি আৰু এটি ঘোষা তাল-খোলেৰে গোৱা হয়। সেইদিনা বা পাছদিনাই 'নাম সামৰা' নামৰ অনুষ্ঠান পতা হয়।

**(ঙ) নাম সামৰা ঃ**

ভাদৰ শেষদিনা অথবা সুবিধামতে আহিনৰ প্ৰথম দিনাই নাম সামৰা অনুষ্ঠান উদযাপন কৰা হয়। বিয়লিৰ পৰা সাধাৰণ নাম প্ৰসঙ্গৰ দৰে এটি গীতেৰে ইয়াৰ আৰম্ভ হয়। তাৰ পিছত নান্দীঘোষা গাই 'দীন দয়াশীল দেৱ দামোদৰ হৰি দামোদৰ' আদি দুটা ঘোষা একাদিক্ৰমে গোৱা হয়। ইয়াৰ পিছত ' এ ৰাম জয়, হৰি জয়' আদিৰ পৰা 'কহয় মাধৱ দাসে' পৰ্যন্ত একত্ৰিশটি ঘোষা গোৱা হয়। ইয়াৰ পিছতে কীৰ্তনৰ ৰাসলীলাৰ 'হেৰা পাইলো পাইলো ৰে, প্ৰাণধন মুকুন্দ মুৰাৰী' এই কীৰ্তনটি দিয়ে। দ্বিতীয়তে বলিছলনৰ প্ৰথম অধ্যায়ৰ 'ৰাম হৰি এহে' কীৰ্তনটি দিয়ে। এই কীৰ্তনৰ 'উঠি কতো কীৰ্তন কৰন্ত তাল ধৰি' পদতে সকলো উঠি থিয় হৈ, 'বোলহ ৰাম ৰাম ভাবিয়ো ৰাম ৰাম' দিহাটি দিয়ে। একেদৰে কীৰ্তনটি শেষ কৰি সকলো থিয় হৈ থাকি হাতত একো যোৰকৈ তাল সকলোৰে লৈ এটি এটিকৈ বাৰটি ঘোষা আৰু প্ৰত্যেকটো ঘোষা গাঁওতে সেইমতে একোটাকৈ নাচ ডিম্বাকৃতিৰে ঘূৰি ঘূৰি নচা হয়। এই বাৰটি ঘোষা গায় শেষ হোৱাৰ লগে লগে বেলেগ সুৰেৰে তোটয় গোৱা হয়। তাৰ পিছতে গুণমালাৰ প্ৰথম অধ্যায়টি নাম লগোৱাজনে লগায় দিয়ে আৰু বাকীসকলে প্ৰত্যেক শাৰীৰ অন্তত "অ' হৰি" বুলি গায় হাতেৰে তাল বজাই এটা মূৰৰ পৰা শাৰি পাতি নাচি নাচি ঘূৰিবলৈ আৰম্ভ কৰে। অধ্যায়টি গাই শেষ হ'লে নাম লগোৱাই কণ্ঠ পাৰি নিজৰ পূৰ্বৰ আসনত বহি দুটি দুলড়ি ঘোষা গাই আৰু প্ৰসঙ্গীয়া নাম সামৰাৰ দৰে ইয়াকো সামৰে।

ভাদ মাহৰ আকৰ্ষণীয় অনুষ্ঠানসমূহৰ ভিতৰত এই অধ্যায়কেইটিয়ে ঘাইকৈ পৰে। এইবোৰৰ উপৰিও সত্ৰত আন বহুতো উৎসৱ -অনুষ্ঠান পালন কৰা হয়। তেনে অন্যান্য উৎসৱ- অনুষ্ঠানৰ ভিতৰত পালনাম, সত্ৰাধিকাৰৰ নিৰ্মালি লোৱা আৰু চহৰ ফুৰা উৎসৱ, থিয় নাম বা উঠা নাম আদি প্ৰধান।

### (চ) নিৰ্মালি লোৱা আৰু চহৰ ফুৰা ঃ

এখন সত্ৰ পৰিচালনাৰ বাবে এগৰাকী উপযুক্ত লোকক সত্ৰাধিকাৰ পাতি লোৱা হয়। পিছৰ যুগত সত্ৰসমূহত পৰিচালকজন উত্তৰাধিকাৰী সূত্ৰে হোৱাৰ নিয়মত পৰিণত হয় যদিও শংকৰ মাধৱৰ দিনত তেনে নিয়ম নাছিল। উত্তৰাধিকাৰী সূত্ৰে অধিকাৰ হোৱাৰ ক্ষেত্ৰত সাধাৰণতে দুটি নিয়ম মানি চলা হয়- পুত্ৰানুক্ৰমে আৰু জেষ্ঠানুক্ৰমে। আনহাতে যিবোৰ সত্ৰত উদাসীন প্ৰথা গ্ৰহণ কৰা নীতি আছে, তেনে সত্ৰত একোজন লোকক অন্য সত্ৰৰ পৰা সৰু অৱস্থাতে আনি, তুলি তালি শিকাই বুজাই লোৱা হয়। বৰ্তনাম অসমৰ সত্ৰসমূহৰ ভিতৰত কেৱল মাথোন বৰপেটা সত্ৰইহে গণতান্ত্ৰিক ভাৱে নিৰ্বাচন হয়।

শংকৰদেৱৰ সঙ্গত অনেক লোক আছিল যদিও নিজৰ পুত্ৰ ৰামানন্দ ঠাকুৰ অথবা আন কোনোজনকে ধৰ্মৰ উত্তৰাধিকাৰী নাপাতি শেষ বয়সত গুৰুজনে উপযুক্ততাৰ ভিত্তিত মাধৱদেৱক 'শক্তি- ভক্তি বল পৰাক্ৰম হবে খানি' অৰ্পণ কৰি উত্তৰাধিকাৰী পাতি থৈ যায়। ইয়াৰ পৰা এই কথা স্পষ্ট হয় যে প্ৰাচীন কালত সত্ৰাধিকাৰ হোৱা পতাৰ প্ৰথম আৰু প্ৰধান বিচাৰ্য্য বিষয় আছিল উপযুক্ততা। আজিৰ দৰে পিতৃৰ পিছত মূৰ্খ হ'লেও পুত্ৰই অথবা জেষ্ঠৰ পিছত অযোগ্য হ'লেও কনিষ্ঠই অধিকাৰ পদৱী পোৱা ৰীতি সেই কালত নাছিল। শংকৰদেৱৰ দৰেই মাধৱদেৱে গোপাল আতা, বদলা পদ্ম আতা আৰু বংশীগোপালদেৱকে ধৰি অনেক কেইগৰাকী লোকক ধৰ্মাচাৰ্য্য আৰু ভকত-বৈষ্ণৱ সকলোকে গোটেই সভা পাতি, পুৰুষোত্তম ঠাকুৰে তেওঁৰ উত্তৰাধিকাৰী বুলি সমাজত ঘোষণা কৰি নৰনাট সামৰে। মাধৱদেৱৰ আদৰ্শ ৰক্ষা কৰি পুৰুষোত্তম ঠাকুৰেও ১২ জন উপযুক্ত লোকক নিৰ্বাচন কৰি ধৰ্মাচাৰ্য্য পাতি সত্ৰ পৰিচালনা আৰু ধৰ্ম প্ৰচাৰৰ বাবে প্ৰেৰণ কৰে আৰু শেষ বয়সত ভায়েক চতুৰ্ভূজ ঠাকুৰক 'সৰেখনি' অৰ্পণ কৰি সেই পদত থাপি থৈ যায়। চতুৰ্ভূজ ঠাকুৰেও আৰু ১২ জন আচাৰ্য্য পাতে যদিও তেওঁ ভাগিনীয়েক দামোদৰ আতাক উত্তৰাধিকাৰী বুলি ঘোষণা কৰি সমস্ত দি থৈ যায়। দামোদৰ আতাক এনেদৰে পাতি লোৱা কাৰ্য বাকী ধৰ্মাচাৰ্য্যসকলে অনুমোদন জনালেহে গাহ্য হ'ব পাৰিছিল বাবে দামোদৰ আতাক অন্য আচাৰ্য্যসকলেও এটি অনুষ্ঠানত নিৰ্মালি দি অধিকাৰস্বৰূপে অভিহিক্ত কৰিছিল। নিৰ্মালি লোৱা অনুষ্ঠানটিক

'ঢোপ দিয়া' বা 'ঢোপ লোৱা' বুলিও জনা যায়।

এইদৰে নিৰ্মালি দিয়াৰ ক্ষেত্ৰত এটা কথা চকুত পৰে যে সত্ৰসমূহৰ ভিতৰতো মান-মৰ্য্যদাৰ, বিচাৰ কৰিহে সেইমতে নতুন অধিকাৰ গৰাকীক যথাক্ৰমে নিৰ্মালি দিয়াৰ ব্যৱস্থা কৰা হয়। বৰ্তমানেও কোনো কোনো সত্ৰত অতি গাম্ভীৰ্য্যপূৰ্ণ পৰিৱেশত এই উৎসৱ পতা হয়।

নিৰ্মালি দিয়াৰ যি ক্ৰম সেই কথালৈ চাই আৰু শব্দটিৰ প্ৰয়োগৰ কথা বিচাৰ কৰিলে ক'ব পৰা যায় যে এখনি সত্ৰৰ অধিকাৰ হ'বৰ হ'লে অন্ততঃ সেই সংহতিৰ শ্ৰেষ্ঠ বা মান্যৱন্ত সত্ৰখনিৰ অধিকাৰ গৰাকীয়ে স্বীকৃতি স্বৰূপে প্ৰথম মালাধাৰি বা নিৰ্মালি লাগে। বাকী সত্ৰৰ সমকক্ষ সকলৰো মনোনিত ৰূপে নিৰ্মালি গ্ৰহণ কৰি তাৰ বাহিৰে ভকত বৈষ্ণৱবৰ্গদ্বাৰাও স্বীকৃত হ'ব লাগে। এই অনুষ্ঠানৰ এটি বিশেষত্ব এয়ে যে সেই ৰাতিলৈ যি ভাওনা কৰাৰ নিয়ম, সেই ভাওনাৰ বাবে নাটখনি নতুনকৈ হোৱা অধিকাৰ জনে লিখা হ'ব লাগে। ইয়াৰদ্বাৰা ইয়াকে সূচায় যে ধৰ্ম আৰু আধ্যাত্মিক অভিজ্ঞ হোৱাৰ উপৰিও এজন অধিকাৰ হ'বৰ বাবে সংগীত, কলা আদি বিষয়তো তেওঁৰ যথেষ্ট পাৰদৰ্শিতা থকাৰ প্ৰয়োজন।

**(ছ) চহৰ ফুৰা ঃ**

সত্ৰাধিকাৰসকল শিষ্যৰ গাঁৱলৈ যোৱাকে চহৰ ফুৰা বোলা হয়। কোনো এখন গাঁৱলৈ যাবলৈ হ'লে আগতীয়াকৈ তালৈ খা-খবৰ পাঁচনি আদি পঠাই দিয়া হয় আৰু সেইমতে সেই গাঁৱৰ মেধি আদি বিষয়ববীয়াসকলে গুৰুজন থাকিবৰ বাবে যোগাৰ পাতি কৰে। মেধি আদি গাঁৱৰ প্ৰতিনিধি গৰাকীয়ে অধিকাৰ গৰাকী থাকিবৰ বাবে সাধাৰণতে গাঁৱৰ নামঘৰৰ উত্তৰফালে ৰভা আদি দি ৰন্ধা-বঢ়া আৰু খোৱা, গা-ধোৱা আদি ঠাইৰ ব্যৱস্থা আগতিয়াকৈ কৰি ৰাখে আৰু এই কামৰ বাবে গাঁৱৰ ৰাইজক মাতি আনি সেইমতে সকলোকে দায়িত্ব দিয়া হয়। গুৰুক আদৰি আনিবৰ বাবে কল পুলি আদিও পুতি ৰাখে আৰু সময়মতে উপস্থিত হোৱাৰ লগে লগে গাঁৱৰ মতা- তিৰোতাসকলো গোট খাই, তাল-খোলেৰে এটি গীত গাই গুৰুক নামঘৰলৈ আদৰি আনে। তিৰোতাসকলে 'গুৰু আদৰা গীত' নামৰ বিশেষ একপ্ৰকাৰৰ গীত গাই।

সত্ৰাধিকাৰজনে লগত ৰান্ধনি, দেউৰী, আলধৰা বা পাঁচনি আৰু অন্যান্য ভকতসকলক সত্ৰৰ পৰা লৈ গাঁৱত উপস্থিত হয়। সাধ্য অনুসৰি অধিকাৰ গৰাকীয়ে লগত নিজৰ প্ৰয়োজনীয় সকলোখিনি বস্তু নিয়ে আনকি কেতিয়াবা দবা-কাঁহ আদি বাদ্য-যন্ত্ৰ আদি গায়ন-বায়ন, তাল-খোল আদিও লৈ যায়। অধিকাৰৰ বয়-বস্তুখিনি ভৰাই নিয়া ভাৰীজনে সেই কামৰ বাবে বিশেষ ধৰণে সজা 'ভাৰ পাচি'ত বস্তু কঢ়িয়াই নিয়ে। আগৰ দিনত দোলা আৰু খাটোলাৰ ব্যৱহাৰ থকা কালত তেনে যানত এই চহৰ ফুৰিছিল।

গাঁৱৰ নামঘৰৰ পদূলিত থিয় হোৱাৰ লগে লগে আইসকলে উৰুলি দিয়ে আৰু গাঁৱৰ কোনোবা মানুহে সত্ৰাধিকাৰৰ আগমণৰ গম কেতিয়াও নাপাব পাৰে বুলি দবা বজাই জাননী দিয়া হয়। পদূলিতে বৰপীৰাত থিয় কৰাই অধিকাৰজনৰ ভৰি ধুৱা হয় আৰু তাৰ পৰা মজিয়ালৈকে খোজ কাঢ়ি যোৱাৰ কাৰণে বুলনিকাপোৰ পাৰি দিয়া হয়। নামঘৰৰ লাই খুঁটাৰ কাষত গাদী পাৰি তাতে বহিবৰ ব্যৱহাৰ কৰে আৰু অধিকাৰ আৰু সিজনাৰ লগৰ মানুহখিনিয়ে খাবৰ কাৰণে চাউল, লোণ-তেল, তৰকাৰী আদিৰ সকলো বস্তু গাৱঁৰ ৰাইজৰ তৰফৰ পৰা 'সিধা' বুলি যোগাৰ দিয়ে। ৰাইজে প্ৰথমে সেৱা জনাওঁতে অধিকাৰজনে লগত নিয়া পকা মিথৈ আৰু নিৰ্মালি সকলো লোকক ভগাই দিয়ে। তেওঁ গাঁৱত থকা অৱস্থাত সদায় শিষ্য আৰু অন্যান্য লোকৰ লগত নামঘৰতে বহি ধৰ্ম আৰু ভক্তি বিষয়ক আলাপ-আলোচনা কৰে আৰু শিষ্যবৰ্গক সেই বিষয়ক উপদেশ আদি দিয়ে।

অলপ দিন থকাৰ পাছত যেতিয়া সেইখন গাঁৱৰ পৰা অন্য এখন গাঁৱলৈ যাবৰ মনস্থ কৰে, তেতিয়া গাঁৱৰ শিষ্যসকলৰ ভিতৰত পুৰুষ, মহিলা আদি ভাগে ভাগে আহি প্ৰত্যেকজনেই সাধ্যমতে যি পাৰে ধন-বস্ত্ৰ আৰু চাউল-পাত আদি দি সেৱা জনাই বিদায় দিয়ে। বিদায় পৰত সকলোৱে ভাগে ভাগে সেৱা জনাই প্ৰাৰ্থনা বিবিধ

গীত গাই। এখন গাঁৱত কিমান দিন থাকিব বা থকাৰ প্ৰয়োজন হ'ব পাৰে, সেই কথা গাঁৱৰ মেধি আদিয়ে ঠিক কৰি জনায়। সেইমতে সিমান দিনৰ অন্তত পুনৰ সত্ৰলৈ অথবা অন্য গাঁৱলৈ যাত্ৰা কৰে। যাবৰ সময়ত আদৰি অনাৰ দৰে গাঁৱৰ সকলো লোক গোট খাই তাল-খোল বজাই গীত গাই আগবঢ়াই দিয়ে।

চহৰ ফুৰাৰ মূল উদ্দেশ্য হ'ল ধৰ্ম প্ৰচাৰ কৰা। গাঁৱৰ লোকক ধৰ্মীয় ৰীতি-নীতি আৰু অন্যান্য শিক্ষা দিয়াৰ উপৰিও অধিকাৰ জনাই গাঁৱত মীমাংসা কৰিব নোৱাৰা বিচাৰ আদিও কৰে আৰু কেতিয়াবা নতুন নামঘৰ আদিও উদ্বোধন কৰে। বৈষ্ণৱ ধৰ্ম গ্ৰহণ নকৰা লোকৰ মাজলৈ গৈ সিবিলাকক শৰণ-ভজন দিয়াও চহৰ ফুৰাৰে অন্তৰ্গত। সমাজে তলৰ বুলি ধৰা শ্ৰেণীৰ লোকক সবাহ পাতি উদ্ধাৰ কৰি এই পন্থৰ ভিতৰুৱা কৰাও চহৰ ফুৰাৰ অন্যতম উদ্দেশ্য। চহৰ ফুৰাৰ অস্থায়ী বাহৰত ধৰ্মতত্ত্বৰ ব্যাখ্যাও সমাজত কৰা হয় আৰু কোনো কোনো অধিকাৰে মানুহৰ ৰোগ-ব্যাধিৰ বাবে ঔষধ-পাতিও দিয়ে।

**২.০৩ সত্ৰৰ কেতবোৰ পালনীয় আচাৰ-নীতি ঃ**

সকলো ধৰ্মীয় সমাজতে কেতবোৰ ৰীতি-নীতি পালন কৰা হয়। আচাৰ আৰু ৰীতি-নীতিৰ ধৰ্ম নহয়, কিন্তু ধৰ্ম সাধনৰ অৱলম্বন বা পথ স্বৰূপে কিছুমান ৰীতি-নীতিৰ প্ৰয়োজনৰ কথা উলাই কৰিব নোৱাৰি। আচাৰ নিশ্চয় ধৰ্ম হ'ব নোৱাৰে; কিন্তু সকলো ধৰ্মৰ ক্ষেত্ৰতে ইয়াৰ প্ৰচলন দেখা যায়। সকলো ক্ষেত্ৰতে ৰীতি-নীতিৰ তাৎপৰ্য বোধগম্য নহ'বও পাৰে আনহাতে কিছুমান আকৌ গভীৰ অৰ্থ ব্যঞ্জক। ৰক্ষণশীলতা, পৰম্পৰা আদিৰ ব্যাখ্যা সদায় সৰ্বজন মনঃপুত হয়তো নহ'বও পাৰে। উদাহৰণস্বৰূপে শিৰ আচ্ছাদন নকৰাকৈ শিখসকলৰ গুৰুদ্বাৰত সোমোৱা নহয়। আধুনিক যুগৰ সাজ-পাৰ পৰিধান কৰি নামঘৰত নাম লগোৱাজনে নাম নলগাই। পিন্ধা-উৰাৰ ক্ষেত্ৰত এনেবোৰ কথাৰ বাহিৰেও আচাৰ সম্পৰ্কীয় অনেক কথা আছে। দেহ, মন আৰু পৰিৱেশ পৰিশুদ্ধ কৰাৰ উদ্দেশ্য আগত ৰাখিয়েই হয়টো একালত এনে ৰীতি-নীতিৰ প্ৰৱৰ্তন কৰা হৈছিল।

বৈষ্ণৱসকলৰ মাজত আচাৰ ৰীতি প্ৰৱৰ্তনৰ মৌলিক উদ্দেশ্য আছিল নিকা কৰা, দেহ, মন, দৃষ্টিভংগী, চৰিত্ৰ, ব্যৱহাৰ-আচৰণ, ব্যক্তি আৰু সমাজৰ সকলোকে খোৱা পিন্ধা, চলন-ফুৰাৰ ক্ষেত্ৰটো, কিছুমান কথা ধৰা বন্ধা কৰি দিয়া হৈছিল। যাৰ সামান্য স্খলন ঘটিলেই শাস্তি, দণ্ড বা প্ৰায়শ্চিত্তমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰথা আছিল। উশৃঙ্খলতাৰ অৱমান ঘটাবলৈকে তেনে ব্যৱস্থা কৰা হৈছিল। পৰিশীলিত এখন সমাজৰ বান্ধত থাকি ব্যক্তিয়ে ঐহিক-পাৰত্ৰিক উৎকৰ্ষ সাধনৰ অৰ্থে, শৃংখলিত জীৱন-যাপন কৰি বাহিৰে ভিতৰে শুদ্ধ হ'বলৈ শিকোৱাৰ উদ্দেশ্যৰে নীতি-নিয়ম আৰু আচাৰৰ প্ৰৱৰ্তন হয়।

অষ্টাদশ শতিকাৰ শেষৰ ফালে জন্ম গ্ৰহণ কৰা 'ৰাৱন বধ' নাটখনিৰ নাট্যকাৰ, বৰদোৱা থুলৰ লক্ষ্মীদেৱ আতাই 'বৈষ্ণৱাহ্নিক' নামৰ এখনি সৰু পুথি ৰচনা কৰে। পুৱা শয্যা ত্যাগ কৰাৰ পৰা ৰাতি শোৱাৰ পৰলৈকে এগৰাকী বৈষ্ণৱৰ পালনীয় নিত্য আৰু নৈমিত্তিক আচাৰ-ৰীতিৰ কথা সেই পুথিখনত সন্নিৱিষ্ট কৰা হৈছে। নিজৰ স্বাস্থ্য ৰক্ষা কৰা পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থকাৰ সু-শৃঙ্খলিত নিয়ম কানুনৰ মাজত চলা আদি কথাই তেনেবোৰ নীতি-নিয়মৰ ঘাই উদ্দেশ্য বুলিব পাৰি। তদুপৰি ভক্তি সাধনৰ বাবে এক পৰিৱেশ সৃষ্টিৰ হেতু কিছুমান কথা কল্পনা কৰি নীতি নিয়মৰ দোহায় দি তাক বান্ধি দিছিল। অসমীয়া সমাজৰ কিছুমান ৰীতি-নীতি যে কেৱল বৈষ্ণৱ সমাজৰে সৃষ্টি বা সেই সমাজতহে প্ৰচলিত তেনে নহয়। সকলোৰে মাজত প্ৰচলিত কিছুমান প্ৰথাও সততে চকুত পৰে। বৈষ্ণৱ আদৰ্শ আৰু শিক্ষাই যে অসমীয়া মানুহক সুৰুচি সম্পন্ন বিনয়ী আৰু অমায়িক কৰিলে এই কথা দ্বিমত হ'বৰ থল নাই। মান্যৱন্তজনক সেৱা কৰা প্ৰথাটো সাধাৰণ মানুহৰ মাজত বিহুৰে সংক্ৰান্তিয়ে প্ৰচলিত কিন্তু বৈষ্ণৱসকলৰ মাজত ইয়াৰ প্ৰয়োগ প্ৰচলন অধিক। এজনে আনজনক দেখিলে বা লগ পালে আৰু ঘৰলৈ গ'লে মান্যৱন্তজনক সেৱা কৰাটো ধৰা বন্ধা নিয়ম। সমসাময়িকভাৱে হ'লেও বিদায় পৰতো সেৱা জনোৱাতো প্ৰচলিত প্ৰথা। গুৰু আৰু মানীজনৰ আগত উচ্চ আসনত নবহাৰ নিয়মতে গুৰুগৃহত আগৰ কালত সাধাৰণ আসন এখনতহে

বহিবলৈ দিয়া হৈছিল আৰু তাক নিজে লৈ নিজে আকৌ তুলি থৈ আহিব লাগিছিল। সেইদৰে গুৰুৱে শিষ্য-ভকতৰ ঘৰলৈ গ'লে তেওঁক আসনৰ ওপৰত গামোচা অথবা চেলেঙ কাপোৰ এখনকে পাৰিহে বহিবলৈ দিছিল। খোৱা বোৱাৰ ক্ষেত্ৰত বৰ কঠোৰ নিয়ম পালন কৰা এতিয়াও দৃষ্টিগোচৰ হয়। স্বাস্থ্য ৰক্ষাটোৱে তেনে বিচাৰৰ মূল আছিল যদিও পিছলৈ সি ৰীতিত পৰি সেইবোৰৰ অনেক দুৰ্গতি হৈছিল। গোঁসাই-মহন্তসকলৰ উপৰি ৰীতি-নীতি মানি চলাসকলে যেয়ে সেয়ে কটা তামোল এখনো নাখাই কিয়নো তামোল খাওঁতে টেমিৰ পৰা আঙুলিৰে চূণ আনি সেই আঙুলিকে দাঁতৰ আগত লগায় নতুবা মুখত ভৰাই হাত নোধোৱাকৈ বঁটাৰ পৰা আনি আনক তামোল দিয়া বা অন্য বস্তু দিয়া অভ্যাস বহুতৰে আছে।

প্ৰসাদ বিলাওঁতে মুখত গামোচা বন্ধা ৰীতিও চকুত পৰে। দুফালে দুগৰাকী বা ততোধিক লোক বহি থকা অৱস্থাত হাতখন আগবঢ়াই দি অলপ চাপৰি ভাৰন্তিৰেহে যোৱা হয়। সেয়া মানুহক দিয়া মূল্য মৰ্য্যাদা সমীহবোধ আৰু সেইখিনিতে বৈষ্ণৱী বিনয় প্ৰকাশ পায়। নামঘৰ-কীৰ্তন ঘৰটো বহি থকা মানুহৰ আগেদি যাব বা পাৰ হ'বলগীয়া হ'লে কান্ধৰ গামোচাখনৰ আগটো মাটিত পেলাই নিজৰ ভৰিৰ ধূলিখিনি মাৰ নিয়াহে যোৱা হয়।

এগৰাকী নতুনকৈ শৰণ লোৱা লোকক শৰণ-ভজনৰ লগতে 'শৌচ-সদাচাৰ', মাটি পানী হ'বলৈ শিকোৱা হয়। শয্যা ত্যাগ কৰি ঈশ্বৰক চিন্তি ভূমিত প্ৰথমে পাৰ দিওঁতেই ভগৱানৰ নাম লৈহে দিব লাগে। দাঁত, চুলি, নখ আদি পৰিষ্কাৰ কৰা, মলমূত্ৰ ত্যাগ কৰা আদি সম্পৰ্কেও অনেক নিয়ম পালন কৰিব লাগে। চাবোনৰ ব্যৱহাৰ আগৰ দিনত বৰকৈ নাছিল গতিকে মাটিকেই হাত আৰু ভৰিত কেইবাবৰো সানি, মোহাৰি ধোৱাৰ নিয়ম আছিল। ঘৰ বা বাসস্থানৰপৰা কিমান দূৰত্বত মলমূত্ৰ ত্যাগ কৰিব লাগে, তাকো নিৰ্দিষ্ট কৰি দিয়া হৈছিল। কাপোৰ-কানি তিয়াই তাকো কাপোৰৰ আঁহ অকনো ক'তো নিতিতাকৈ নাৰাখি গা ধুইহে শুচি হোৱাৰ ৰীতি আছিল। দিনটোত যিমানবাৰেই মলত্যাগ কৰিব, সিমানবাৰেই কাপোৰ তিয়াই গা ধুব লাগে। অৱশ্যে অসুস্থ অৱস্থাত তাৰ কিছু ব্যতিক্ৰম বা শিথিলতা ঘটাব পাৰে। এনে দোষ নিবাকৰণৰ বাবে সুস্থ হৈ উপবাসে এৰাতি থাকি পদজল, মহাপ্ৰসাদ আদি খাইহে শুদ্ধ হ'ব পাৰি।

গা ধুই আহি ধৌত বস্ত্ৰ আৰ্থাৎ ধুতি কাপোৰ পিন্ধিব লাগে। সেই কাপোৰ বেলেগে ৰখা হয় আৰু তিতা কাপোৰসহ তিতা গাৰে থকাজনৰ বাহিৰে তাক কোনেও নোচোৱে অথবা অন্য কাপোৰ-কানিৰ লগতো একলগ কৰা নহয়। ধুতি বা সজ কাপোৰৰ লগত সংলগ্ন কোনো বস্তু চুৱা গাৰে চুলেও সি চুৱা হয়। কিন্তু আচাৰক ধৰি ৰাখিবলৈ গৈ মূল অৰ্থ আৰু উদ্দেশ্য কথা পাহৰি অনৰগতভাৱে লেতেৰা বস্ত্ৰ এখনিয়েই ধুতি নাম পোৱাটো পুতৌজনক হৈ পৰিছে।

আনহাতে, গা নোধোৱাকৈ একোকে নোখোৱাটো বৈষ্ণৱৰ আচাৰ। বাহি গাৰে পৰাপক্ষত শুদা পানী এটোপাও খোৱা নহয়। গা ধোৱাৰ পাছতো গুৰু সেৱা কৰি উঠিহে আহাৰ গ্ৰহণ কৰাৰ ৰীতি। তিতা বস্ত্ৰৰ আঁহ শুকোৱাৰ পাছত যদি তাক চুৱা গাৰে কোনোৱে চোৱে তেন্তে পুনৰ তিয়াবলগীয়া হয়। তেনেকৈ ৰাতি শোৱা কাপোৰ বাহি চুৱা বুলি গণ্য কৰে। সেইদৰে লেটিপেটি কৰি নামঘৰ আদিলৈ যোৱা, ভাতৰ কথাটো বাদেই জা-জলপানৰ চৰু চোৱা, ভঁৰাল চোৱা আৰু গোঁসাইৰ কাম কৰা আদি নিষেধ। তিয়নীখন চেপি মেলি দি পুনৰ হাত তিয়াই ভৰি-হাত ধুইহে ভিতৰত সোমোৱা হয়। ফুৰি চাকি আহিলেও ভৰি-হাত নুধুৱাকৈ পোনেই ভিতৰ সোমোৱা নহয়। ক্ষুদ্ৰ শৌচৰ অন্তটো ভৰি-হাত তিয়াই শুচি হোৱাৰ উপৰিও থিয় হৈ কৰাটো নিষিদ্ধ।

ৰান্ধনিয়ে যি সাজ কাপোৰ পিন্ধি ৰন্ধা-বঢ়া কৰে সেই কাপোৰযোৰ সলাই অন্য এযোৰ পিন্ধিহে ভাত খাই কাৰণ ভাত খোৱা কাপোৰযোৰ অশুচি হয়। আনহাতে যাকে তাকে ৰান্ধনিও লোৱা নহয়। ঘৰ এখনৰ বোৱাৰী গৰাকী এটিমান সন্তানৰ মাতৃ নোহোৱা পৰ্যন্ত সাধাৰণতে তেওঁক ৰান্ধনি লোৱা নহয়। বোৱাৰী নিয়াৰ পিছটো নীতি-নিয়ম, গুৰুবাক্য, মাটি-পানী আদি ভালদৰে পালন কৰা, মূৰ তিয়াই গা ধোৱা আদি কথাৰ আচাৰ-আচৰণ,

গতি-বিধি ব্যৱহাৰ আৰু চলন ফুৰণ চাইহে প্ৰথমে পানী এটোপা অথবা কটা এখনকে ব্যৱহাৰ কৰা হয়। বয়সস্থজনে বোৱাৰীৰ হাতে পোনেই ভাত-পানী খোৱাটো নিয়ম নহয়। ভাত ৰান্ধি উঠি মানীজনক প্ৰথমে খাবলৈ দি সেৱা জনাই ৰান্ধনিয়ে একেবাৰে শেষত আহাৰ গ্ৰহণ কৰে। খাই উঠি মুখ ধোঁওতে দাঁত খৰিকা ব্যৱহাৰ কৰি কেইবাবৰো মুখখন ধুই চাফা কৰিব লাগে। তদুপৰি ভাত খাই উঠি ঠাইখন পানীৰে মচা আৰু এবাৰ শেষত গোবৰ পানী দি মচা নিয়মেই শুদ্ধ, পৰিষ্কাৰ হোৱা কথাকেই সূচাই। ভাত খোৱা পীৰাখনো পানীৰে তিয়াই মচি দিলেহে শুদ্ধ হয়। তেনেদৰে খোৱা আৰু ৰন্ধা বাচন-বৰ্তন মাজোতেও খোৱা বাচনৰ লগত ৰন্ধাখিনিৰ একেলগ নকৰাকৈ শেষত বেলেগে বেলেগে দুয়ো ভাগ ৰাখি ক'তো কণিকা লাগি থকিব নোৱাৰাকৈ চাই, পানী এচাটি মাৰি নিয়া নিয়ম মনকৰিবলগীয়া।

নামঘৰত প্ৰসাদ দিয়াৰ বেলিকা পালন কৰা ৰীতি-নিয়মৰ কথাও মনকৰিবলগীয়া। মানী আৰু বয়সস্থজনক সন্মান কৰি আগলতি কলপাতত আগেয়ে প্ৰসাদ দিয়া হয়। দেউৰী-বিলনীয়াসকলৰ ক্ষেত্ৰতো কিছুমান আচাৰ-ৰীতি আছে। অধিকাৰ আদিক প্ৰসাদ শৰাইত তুলি দিয়া হয়। এনেদৰে প্ৰতি পদে পদে প্ৰত্যেকটো কথাৰে কিছুমান চৰ্চা কৰি লোৱা হয়। ঠাই আৰু লোক ভেদে সেইবোৰ বেলেগ বেলেগ হয়।

বৈষ্ণৱ এগৰাকী শৰণ লোৱাৰ পিছৰে পৰা কিছুমান আচাৰ-নীতি পালন কৰিবলগীয়া হয়। শৰণ লোৱাৰ পিছত সদায় গুৰু সেৱা বা ঈশ্বৰ সেৱা কৰি উঠি চাৰি নামেৰে যথাক্ৰমে শিৰ, কপাল, কণ্ঠ আৰু হৃদয়ত বা বক্ষত চাৰিটি তিলক ল'ব লাগে। এগৰাকী বৈষ্ণৱে তেওঁৰ তলতীয়া বা সমবয়সীয়া আৰু বয়সস্থজনক কেনে ব্যৱহাৰ কৰিব আৰু কি কি নকৰিব, সেই বিষয়েও নিৰ্দেশ দিয়া হয়। চৰ, গোৰ, কিল, ভুকু আৰু প্ৰহাৰ কৰা, আচোৰা-চিকুটা বা কামোৰা আদিৰ ব্যৱহাৰ নিষিদ্ধ। এনে কৰিলে প্ৰায়শ্চিত্ত হ'ব লাগে। শৰণ-ভজন লোৱাৰ পাছত তেওঁক 'মিছা-বেশ্যা-হিংসা' আৰু 'কাম-ক্ৰোধ-লোভ-মোহ' পৰিত্যাগ কৰিবলৈ গুৰুৱে উপদেশ দিয়ে। এজন বৈষ্ণৱে সাতবিধ বস্তু ব্যৱহাৰ কৰা নিষিদ্ধ-কানি, ভাং, ধপাত, ধতুৰা, মদ, পিঁয়াজ আৰু নহৰু।

মৃত ব্যক্তিক স্পৰ্শ কৰিলে, শ্মশানলৈ গ'লে এৰাতি উপবাসে থাকিব লাগে। আনকি মৰা-শ আঁতৰত দেখিলেও গা ধুব লাগে। ঋতুমতি লোকক স্পৰ্শ কৰিলেও গা ধুই লগুণ সলাব লাগে। কোনোৱে গুৰুত্বৰ অপৰাধ বা অবৈধ কাম কৰিলে উদ্ধাৰ-পৰাচিত হ'ব লাগে। গুৰু, দেৱ, নাম আৰু ভকতৰ নামত শৰণ লৈ আনত শপত খোৱাটো নীতি বিৰুদ্ধ কথা।

সত্ৰত আচাৰ-নীতি পালনৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ মাজত কেতবোৰ পাৰ্থক্য দেখা যায়। পুৰুষ-মহিলা উভয়ে গুৰু সেৱা কৰিলেও প্ৰায়বোৰ সত্ৰত নাৰীয়ে নামঘৰত নাম সেৱা নকৰি ৰান্ধনি ঘৰৰ এচুকত পাতি থোৱা থাপনাৰ ওচৰত সেৱা কৰে। সেইদৰেই সত্ৰত মহিলাই পুৰুষৰ লগত একেলগে বহি প্ৰসংগ কৰাৰ নিয়ম নাই। পুৰুষৰ দৰে খোল, দবা, নেগেৰা আদি বাদ্যযন্ত্ৰও ব্যৱহাৰ নকৰে। ঋতুস্নানৰ তিনিদিন নাৰীগৰাকীক সাধাৰণতে অশুচি বুলি ধৰা হয়। গতিকে সেইকেইদিনত নাৰীগৰাকীয়ে গৰু-গাই, মানুহ, কাপোৰ-কানি, বিচনা পত্ৰ আদি স্পৰ্শ নকৰে আৰু মাটিত বিচনা পাৰি শুৱে। শৰণ লোৱাৰ পাছত পুৰুষসকলে মণিকূটত সোমাব পাৰে যদিও মহিলাসকলে দেহৰ নিম্নভাগত পৰিধান কৰা বস্ত্ৰ, কাপোৰ মেলা বা ৰচি বেলেগ দিয়া হয়, যাতে তাৰ তলেদি পুৰুষসকলে পাৰ হৈ যাব নোৱাৰে। তেনে ৰচিৰ তলেদি গ'লে যাওঁতাজনৰ আয়ুস কমে বুলি ধৰা হয়।

সময়ৰ লগে লগে আচাৰ-ৰীতিৰ পৰিৱৰ্তন বৰ দ্ৰুতভাৱে ঘটি আহাটো কোনেও ৰোধ কৰিব নোৱাৰে। সেয়েহে ফকৰাৰ সৃষ্টি হৈছে - 'আগৰ কমলাবৰীয়াই ধুই খাইছিল খৰি। এতিয়াৰ কমলাবৰীয়াই খাঁওতেও নোধোৱে ভৰি।' নিকা সংহতিৰ মাজত নীতি-নিয়ম আৰু আচাৰ বৰ কঠোৰভাৱে পালন কৰা হৈছিল কিন্তু, সময়ৰ বা-চাটিয়ে সেইপিনেও কোবাই আচাৰ-ৰীতিৰ ক্ষেত্ৰত সকলোৰে পৰিৱৰ্তন ঘটাইছে।

## ২.০৪ সত্ৰীয়া গীত, নৃত্য, বাদ্য আৰু ভাওনা ঃ

সংগীত আৰু সুকুমাৰ- কলা সত্ৰৰ এক অন্যতম অংগ। এইবোৰৰ সাধনা আৰু বিকাশৰ ক্ষেত্ৰত সত্ৰসমূহত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰধানকৈ শংকৰদেৱে আৰম্ভ কৰা অংকীয়া ভাওনাক কেন্দ্ৰ কৰিয়েই সত্ৰীয়া সংগীত আৰু সুকুমাৰ কলা গঢ় লৈ উঠিছে। মহাপুৰুষ দুজনাই দি যোৱা বৰগীত আৰু নাটৰ গীতসমূহৰ উপৰি সত্ৰত পালিত, বৰ্ধিত আৰু বৰগীতৰ আৰ্হিত বিকশিত হোৱা সংগীত শাখাকো সত্ৰীয়া সংগীতৰ পৰিসীমাত ধৰা হয়। অসমীয়া জাতীয় জীৱনৰ পৰিচায়ক ৰূপে সত্ৰীয়া কলা চৰ্চাই এক বিশেষ স্থান অধিকাৰ কৰি আছে।

# তৃতীয় অধ্যায়

**৩.০০ কমলাবাৰী সত্ৰৰ ইতিহাস ঃ**

শ্ৰী শ্ৰী কমলাবাৰী সত্ৰ মহাপুৰুষ মাধৱদেৱৰ প্ৰিয় শিষ্য বদুলা পদ্ম আতাই নিকা সংহতিৰ আৰ্হিত পোন প্ৰথমে ১৬৭৩ চনত মাজুলীত প্ৰতিষ্ঠা কৰিছিল।

সত্ৰৰ হাটী, পুখুৰী, ভকত, সেৱক সকলোৰে সৈতে বদলা সত্ৰত পদ্ম আতা সাত বছৰ ছয় মাহ থাকি গুৰুজনাৰ ধৰ্মৰ ভেটিটো অধিক সুদৃঢ় কৰি তুলিছিল। দফলাৰ উপদ্ৰৱত মন অসন্তুষ্ট হোৱাত তেওঁ নাৱেৰে যাত্ৰা কৰি দুবছৰ ৰামগুৰুৰ ঘৰত কটাই পৰশুৰাম মুদৈৰ বাৰীলৈ আহি তাত দুমাহ দিন কটায়। এনেদৰে অ'ত ত'ত ভ্ৰমি থাকি গুৰুজনাৰ ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল। এদিন হৰি আতৈয়ে পদ্ম আতাক ভাল মাটি এডোখৰ চাই বেলেগ এখন সত্ৰ প্ৰতিষ্ঠা কৰাৰ কথা কয়। পদ্ম আতাই হৰি আতৈয়ে সত্ৰৰ বাবে কোনে মাটি দিব বুলি সোধাত হৰি আতৈয়ে পুৰুযোত্তম বৰুৱাৰ সুন্দৰ কমলাটেঙাৰ বাৰী এখন আছে আৰু এই বাৰীখন তেওঁক ৰজাই পূৰ্বতে দান দিছিল বুলি আতাক কৈছিল। সেই বাৰীখন সত্ৰৰ বাবে খুজিলে পুৰুযোত্তম বৰুৱাই নিশ্চয় মানা নকৰে বুলি হৰি আতৈয়ে আতাক ব্যক্ত কৰিছিল। এই কথা শুনি পদ্ম আতাই পুৰুযোত্তম বৰুৱাৰ ওচৰলৈ ভকত পঠালে আৰু আতাৰ বাৰ্তা তেওঁক অৱগত কৰালে। আতাৰ বাৰ্তা শুনি আনন্দ মনেৰে বৰুৱাই নিজৰ কমলাটেঙাৰ বাৰীখন সত্ৰ পাতিবলৈ পদ্ম আতাক দিছিল। তাতে নামঘৰ, মণিকূট, ভকতৰ হাটীবহা, পুখুৰী আদি পাতি সোণত সুৱগা চৰাই সত্ৰ নিৰ্মাণ কৰিছিল। এই সত্ৰখনেই 'কমলাবাৰী সত্ৰ' নামেৰে প্ৰসিদ্ধ, যিখন বৰ্তমান মাজুলীত অৱস্থিত। কমলাবাৰী সত্ৰ প্ৰতিষ্ঠা কৰাৰ বাবেই বদলা পদ্ম আতাৰ নাম 'কমলাকান্ত আতা' হয়। আনহাতে মাজুলীৰ শালমৰা মৌজাত মাধৱদেৱ কোচ বিহাৰত থকা সময়ত বৰনাৰায়ণপুৰৰ মাওকুছিৰ পদ্মই গুৰু সমূখ হৈ উজানত মহাপুৰুষ গাৰ বদলে ধৰ্ম প্ৰচাৰ কৰিবলৈ ভাৰ পাই পদ্ম আতা বা বদুলা আতা নাম পাই উজনিলৈ আহি কলানিভেটি, শলখ, পচতিয়াভেটি, হামৰা, বদুলা আদি ঠাইত সত্ৰ পাতি ধৰ্ম প্ৰচাৰ কৰাৰ পাছত বেজবৰুৱা বংশৰ উপৰিপুৰুষ পুৰুযোত্তম বৰুৱাৰ টুনি নৈৰ পাৰৰ টেঙানিবাৰীত শেষত কমলাবাৰী সত্ৰ প্ৰতিষ্ঠা কৰে।[৬] গেজেটিয়াৰ মতে কমলাবাৰী সত্ৰৰ লাখেৰাজৰ পৰিমাণ ৫,৯০০ একৰ।

এই সত্ৰখনৰ উৎপত্তিৰ সম্পৰ্কে কেইবাটাও কিংবদন্তি পোৱা যায়। পৰম্পৰাগত ভাৱে চলি অহা মতসমূহ হ'ল -

১/ বদলা পদ্ম আতাৰ দহটি নামৰ ভিতৰত এটি নাম হ'ল - কমলাকান্ত। সেই নাম অনুসৰি সত্ৰখনৰ নাম কমলাবাৰী হৈছে।

২/ বদলা পদ্ম আতাই সত্ৰ প্ৰতিষ্ঠা কৰাৰ স্থানতে পূৰ্বতে এখন ডাঙৰ কমলা টেঙাৰ বাৰী আছিল। বাৰীখনৰ গৰাকীৰ নাম কমলা মুদৈ আছিল। সেয়ে এই সত্ৰখনৰ নাম কমলাবাৰী সত্ৰ হৈছিল।

৩/ প্ৰচলিত আন এক জনশ্ৰুতি অনুসৰি, দ্বাৰকাৰ অধিপতি শ্ৰীকৃষ্ণই কুণ্ডিলৰ পৰা ৰুক্মিণীক হৰণ কৰি আনোতে ৰুক্মিণী দেৱীৰ মূৰৰ কমল ফুলপাহ এই স্থানতে খহি পৰিছিল। এই স্থানতে সত্ৰখন প্ৰতিষ্ঠা হোৱা বাবে ইয়াৰ নাম কমলাবাৰী সত্ৰ হ'ল।

কমলাবাৰী সত্ৰ প্ৰতিষ্ঠা কৰাৰ পাছত ২বছৰ ৯ মাপৰা ছয়মাহৰ ভিতৰত অৰ্থাৎ ১৫৯৬ শকৰ ব'হাগ মাহৰ শুক্লা একাদশী তিথিৰ দিনা হৰিচৰণ আতৈৰ বৈকুণ্ঠী হয়। বদলা পদ্ম আতাই হৰিচৰণ আতৈৰ বিয়োগত শোকাকুল হৈ পৰাত আলধৰা গোবিন্দ আতা এই সত্ৰত থাকি অৱশেষত পদ্ম আতাইয়ো মৃত্যু কামনা কৰিলে। কিছুদিন পাছতে কমলাকান্ত আতাও অসুস্থ হৈ পৰিল। আতা অসুস্থ হোৱাত ভকত সমাজৰ মাজত উত্তৰাধিকাৰক লৈ হুৱাদুৱা লাগিছিল। ভকতসকলে হৰিচৰণ আতৈৰ কনিষ্ঠ ভাতৃ শ্ৰী ৰামৰ কথা ক'লে। কমলাকান্ত আতাই ভকতসকলৰ সিদ্ধান্তক নুই কৰিব নোৱাৰি শ্ৰী ৰাম আতাক এই দায়িত্বভাৰ অৰ্পণ কৰিলে। বদলা পদ্ম আতাৰ

পিছত শ্ৰীৰাম গুৰু 'কমলাবাৰী সত্ৰ'ৰ অধিকাৰ হ'ল। কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ অৰ্থাৎ সতৰীয়া পদত নিযুক্তি হৈ ভকতসকলক ভাগে-ভাগে গায়ন-বায়ন, নামলগোৱা, পাঠক, ঘোষা-কীৰ্তনৰ সুৰ-গীত, নৃত্য, কলা-সংস্কৃতিৰ সকলো দিশৰ শিক্ষাৰে সত্ৰখন উজ্জ্বলাই তুলিছিল। শ্ৰীৰাম গুৰুৰ বংশধৰ সকলেই কমলাবাৰী তথা উত্তৰ-কমলাবাৰী সত্ৰৰ ক্ৰমান্বয়ে সতৰীয়া পদত অধিস্থিত হৈ আহিছে। এই সত্ৰৰ দুটা ফাল আছিল - এটা বুঢ়া ফলীয়া আৰু আনটো ডেকা ফলীয়া সত্ৰাধিকাৰ। শ্ৰী শ্ৰী চন্দ্ৰদাস দেৱৰ সত্ৰাধিকাৰ পদ প্ৰাপ্তিৰ পিছত সত্ৰাধিকাৰ আৰু ভকতসকলৰ মাজত কোনো বিষয়ত মনোমালিন্য হৈ বেছিভাগ ভকত ওলাই গৈ 'নতুন কমলাবাৰী' নামেৰে এখন সুকীয়া সত্ৰ স্থাপন কৰে। বৰ্তমান এই সত্ৰখন মাজুলীতে আছে আৰু এই সত্ৰখন 'নতুন কমলাবাৰী' বা 'উত্তৰ কমলাবাৰী' সত্ৰ নামেৰে পৰিচিত। জনসাধাৰণৰ দুৰৱস্থা দেখি মনত কষ্ট অনুভৱ কৰি পদ্ম আতাই বদলা সত্ৰত নথকাৰ সিদ্ধান্ত লৈ মাজুলীলৈ গৈ 'কমলাবাৰী সত্ৰ' প্ৰতিষ্ঠা কৰিছিল।

৩৩০ বছৰ পূৰ্বেই মহাপুৰুষ মাধৱদেৱৰ প্ৰিয় শিষ্য বদলা পদ্ম আতাৰদ্বাৰা প্ৰতিষ্ঠিত কমলাবাৰী সত্ৰৰ চাৰিখনি মূল বহাৰ গুৰু আতৈৰ বহাখিনি কলনিবাৰীৰ উত্তৰ দিশত প্ৰতিষ্ঠা লাভ কৰিছিল। পৰৱৰ্তী সময়ত শংকৰ-মাধৱৰ মনিকাঞ্চন সংযোগ ক্ষেত্ৰ ধুৱাহাট বেলগুৰি থানখনি খহনীয়াত জাহ যোৱাত এই সত্ৰলৈকে এটা ভাগ আহিছিল। পিছে এতিয়া ইতিহাস হোৱাৰ পথত কমলাবাৰী শাখা সত্ৰৰ লগতে ধুৱাহাট বেলগুৰি সত্ৰ। হাবি-জংঘলেৰে আগুৰি ধৰা পৰিৱেশৰ মাজত সোণালী ইতিহাস সুঁৱৰি আবেগিক হৈ পৰিল ভকত বৈষ্ণৱ। মাজুলীৰ ঐতিহাসিক কমলাবাৰী শাখা সত্ৰ এতিয়া পৰিণত হৈছে এৰাবাৰীলৈ। হাবি-বনেৰে আগুৰি ধৰিছে সত্ৰখনৰ চৌপাশ। বেতনীৰ মাজত এটা কীৰ্তনঘৰত ধিমিক-ধামাককৈ জ্বলি আছে মাত্ৰ এগছি বন্তি। একালৰ জয়জয় ময়ময় এই উদাসীন সত্ৰখনত এতিয়া কেৱল নিস্তব্ধতা। এতিয়া সত্ৰৰ সেই স্বৰ্নিল ইতিহাস অতীত হ'ল। বুৰঞ্জীৰ পাতৰপৰা যেন হেৰাই গ'ল ৩৩০ বছৰীয়া উদাসীন পৰম্পৰা। গুৰু আতৈৰ এই ঐতিহাসিক বহাৰ বৰভেঁটি উদ্ধাৰ কৰি সত্ৰখনি পুনৰ জীয়াই তুলিলেহে ঐতিহ্য পৰম্পৰা থাকিব। নহ'লে কালৰ বুকুত এনেকৈয়ে বিলিন হ'ব পৰম্পৰা ঐতিহ্য।

উল্লেখযোগ্য যে ১৬৭৩ চনত প্ৰতিস্থিত মাজুলীৰ এই মূলসত্ৰখন ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত বিধস্ত হৈছিল। চৰকাৰৰ অনুদানত ১৯৭৫ চনত তিতাবৰৰ মহিমাবাৰীত পুনৰ প্ৰতিষ্ঠা কৰা হয়। 'শ্ৰী শ্ৰী কমলাবাৰী' নামেৰে খ্যাত এই সত্ৰখন পুনৰ তিতাবৰত প্ৰতিষ্ঠা কৰিছিল শ্ৰী শ্ৰী ভৱকান্তদেৱ গোস্বামীয়ে।

ভৱকান্তদেৱ গোস্বামীৰ সংস্কৃত ভাগৱত সাধনা অতি অতুলনীয় হোৱাৰ লগতে দশম কীৰ্তন, ঘোষা, ৰত্নাৱলী, ৰত্নাকৰ আদি গ্ৰন্থৰ ওপৰত থকা বুৎপত্তিও অতি অসাধাৰণ আৰু সমৎকাৰ। আনহাতে অতি সুখৰ কথা যে ইখনৰ পিছত সিখনকৈ অনুপম গ্ৰন্থ সম্ভাৰৰ প্ৰকাশে সমাজখনলৈ অভূতপূৰ্ব সাহিত্য বৰঙণি যোগাইছে। তাৰ ভিতৰত উল্লেখযোগ্য - ধৰ্ম আৰু সংকট, ভক্তি সুধাকৰ, ঈশ্বৰৰ ৰূপ চিন্তন, ভক্তি ৰত্নাকৰ, বদলা পদ্ম আতাৰ পদ চৰিত্ৰ, সত্ৰ মঞ্জৰী ইত্যাদিৰ উপৰিও কেইবাখনো নাটক আছে, যেনে- পৰীক্ষিতৰ ব্ৰহ্মশাপ, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, দেৱাসুৰৰ যুদ্ধ, অশ্বকাসুৰ বধ আদি। তেখেতৰ জীৱনৰ অন্য এটা দিশ হ'ল ভাৰত ভ্ৰমণ। ভাৰতৰ বিভিন্ন প্ৰান্তত তেখেতৰ সেই সাৰবদ্ধ কথাবিলাক, শাস্ত্ৰৰ উদ্ধৃত্তিবিলাক, ঠাইৰ পৰিচয়বিলাক, এই বিলাকৰ ওপৰত তেখেতৰ জ্ঞান গভীৰ ভাষাৰে কোৱা কথাবিলাক শুনাসকলেহে গম পাই তেখেতৰ আধ্যাত্মিক চেতনা আৰু শাস্ত্ৰজ্ঞান কিমান গভীৰ। দ্বিতীয়তে হ'ল আজিৰ তাৰিখত তেখেতৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰৰ গাদীত বহা পঞ্চাছ বছৰ পূৰ হ'ল। পঞ্চাছ বছৰৰ সত্ৰাধিকাৰৰ অভিজ্ঞতা লোৱা ব্যক্তি হয়তো অসমতে নাই। বিশেষভাৱে মাজুলীৰ পৰা কমলাবাৰী সত্ৰখন স্থানান্তৰিত কৰি আনি তিতাবৰত প্ৰতিষ্ঠা কৰাত তেখেতৰ যিটো ভূমিকা আৰু সত্ৰ পুনঃ সংস্থাপনত যি দায়বদ্ধতা সেইখিনি সদায়েই সুঁৱৰিব লাগিব। এই কথাবিলাকেই কালজয়ী ইতিহাস হৈ ৰ'ব।৭

# চতুৰ্থ অধ্যায়

**৪.০০ কমলাবাৰী সত্ৰৰ ঐতিহ্য ঃ**

ঐতিহ্য আজি এটা সঘন উচ্চাৰিত শব্দ যদিও এই বিষয়ে মানুহৰ স্পষ্ট ধাৰণা এটা নাই। ঐতিহ্যৰ বিষয়ে বহুতো বিশ্বজনীন সংস্থাই ভিন ভিন সংজ্ঞা আৰু ব্যাখ্যা আগবঢ়াইছে। তথাপিও ঐতিহ্য বুলিলে মূলতঃ হাতেৰে স্পৰ্শ কৰিব পৰা আৰু স্পৰ্শ কৰিব নোৱাৰা উত্তৰাধিকাৰী সূত্ৰে পোৱা আমাৰ সাংস্কৃতিক পৰম্পৰা আৰু সম্পদকে বুজোৱা হয়।

মাজুলী সত্ৰীয়া সংস্কৃতিৰ স্নায়ুকেন্দ্ৰ। এই সত্ৰসমূহতে আছে শংকৰ-মাধৱ গুৰু দুজনাৰ লগতে আন্যান্যসকলৰ অনুপম সৃষ্টি সাংস্কৃতিক সম্পদ। শংকৰ-মাধৱৰ মণিকাঞ্চন সংযোগ ক্ষেত্ৰ ধুৱাহাট বেলগুৰি থানকে ধৰি মূলতে ৬৫ খন সত্ৰ মাজুলীত আছিল যদিও বিভিন্ন কাৰণত স্থানান্তৰিত হোৱাৰ পিছত সম্প্ৰতি মাজুলীত ৩৬ খন সৰু বৰ সত্ৰ আছে। এই সত্ৰসমূহে ভাওনা, বৰগীত, সত্ৰীয়া নৃত্য, গায়ন-বায়ন আদিকে মূখ্য কৰি লোক পৰিৱেশ্য কলাসমূহৰ চৰ্চা কৰি আহিছে। ভাগৱত, নামঘোষা, কীৰ্তন আদিকে মুখ্য কৰি সাঁচি পাতৰ বিভিন্ন পুথিলৈকে এই সত্ৰসমূহেই যথোচিতভাৱে সংৰক্ষণ কৰি ৰাখিছে। সামগ্ৰিকভাৱে বৈষ্ণৱ ধৰ্মৰ মূল আদৰ্শবোৰ বৰ্তাই ৰাখিছে সত্ৰসমূহে।

বৰ্তমান সময়তো বলিষ্ঠভাৱে প্ৰভাৱ বিস্তাৰ কৰি থকা মাজুলীৰ এখন উল্লেখযোগ্য সত্ৰ হ'ল - 'উত্তৰ কমলাবাৰী সত্ৰ'। এইখন সত্ৰ ধৰ্ম, সাহিত্য, সংস্কৃতি তথা সত্ৰীয়া সংস্কৃতি চৰ্চাৰ বাবে ভাৰত বিখ্যাত। এইখন সত্ৰই বিদেশত অসমীয়া সত্ৰ সংস্কৃতি প্ৰসাৰ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সত্ৰখনত শংকৰদেৱ, মাধৱদেৱ আৰু বদলা পদ্ম আতাৰ হস্তাক্ষৰ পুথি, শংকৰদেৱৰ জাপ্য মালা, গুৱা, ভোজন কৰা, সঁফুৰা, পদ্ম আতাৰ ভোজনৰ বাতি, পদশিলা, হৰি আতৈয়ে পূজা কৰা গড়ৰ কোষা অৰ্ঘ, শংকৰ-মাধৱৰ কেশ; ৰূপৰ ভূংগাৰ, মৌৰা চৰাই খোদিত ওড়াল, পুৰন্দৰ সিংহৰ প্ৰেৰিত ৰাজপত্ৰ আদি সংৰক্ষিত হৈ আছে।

'শ্ৰী শ্ৰী নতুন কমলাবাৰী সত্ৰ'ত মহাপুৰুষ দুজনাৰ ৰচিত সকলো শাস্ত্ৰৰ সাঁচিপতীয়া পুথি পৰৱৰ্তী কালত ৰচিত সাঁচিপতীয়া পুথিকে ধৰি ১২৫ খন, এখন তুলাপতীয়া সচিত্ৰ ভক্তি ৰত্নাৱলী পুথি, শংকৰদেৱৰ জীৱনকালত সংৰক্ষিত ধূলা-মালা হস্তাক্ষৰিত পুথি, বদলা পদ্ম আতাৰ জপমালা, বস্ত্ৰ ইত্যাদি বহুতো অনুসংগিক সম্পদ বিদ্যমান। এই নতুন কমলাবাৰী সত্ৰত থকা বহুতো ঐতিহাসিক সম্পদ মূখ্য বহা হিচাপে পৰিগণিত। গুৰু আতৈ পুৰুষৰ বহাত, দক্ষিণকুলীয়া কৃষ্ণ আতৈ পুৰুষৰ বহাত, চক্ৰপাণি আতৈ পুৰুষৰ বহাত, ভাবিৰাম বায়নৰ বহাত আৰু খগেশ্বৰ বায়নৰ বহাত সংৰক্ষণ কৰাৰ উপৰিও সত্ৰৰ ভঁৰালতো বহুতো সাঁচিপতীয়া পুৰণি পুথি সংৰক্ষণ হৈ আছে।

ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত বিধস্ত হোৱা মাজুলীৰ কমলাবাৰী সত্ৰখন ১৯৭৫ চনত চৰকাৰৰ অনুদানত পুনৰ তিতাবৰৰ মহিমাবাৰীত স্থাপন কৰা হয়। তিতাবৰৰ কমলাবাৰী সত্ৰখনত বৰ্তমান বহুতো ঐতিহাসিক সম্পদ সংৰক্ষিত হৈ আছে। মানসকলে অসম আক্ৰমণ কৰাৰ সময়ত এই সত্ৰখনৰ প্ৰতি মুগ্ধ হৈ অন্য মানে যাতে সত্ৰৰ একো হানি কৰিব নোৱাৰে তাৰ চিনস্বৰূপে দি যোৱা মানকাঁহী আৰু মানযাঠী এতিয়াও সংৰক্ষিত হৈ আছে। বহুতো সাঁচিপাতৰ পুথি, মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা ৰচিত কালিয়দমন নাটৰ লগতে আন বহুতো পুৰণিকলীয়া সম্পদ এই সত্ৰতে সংৰক্ষিত কৰি ৰখা হৈছে।

আজিৰে পৰা প্ৰায় ৩০০ বছৰ আগতে মাজুলীত থকা শ্ৰী শ্ৰী কমলাবাৰী সত্ৰখন বাঁহ আৰু খেৰেৰে নিৰ্মিত আছিল। সকলোৰে মাজত প্ৰচলিত কথামতে জানিব পাৰো যে মহাবীৰ হনুমানে ভকতগণৰ স্বপ্নত আহি ব্ৰহ্মপুত্ৰৰ বুকুয়েদি তুলসীৰ কুন্দা লৈ অহাৰ কথা অৱগত কৰিছিল। সেই কথাকে মানি লৈ ভকতগণে নদীৰ কাযেদি সত্ৰলৈকে এটা খাল খান্দি উলিয়াইছিল। আশ্চৰ্যজনকভাৱে সেই খালতো বহুতো কাঠৰ কুন্দাৰে ভৰি থকা

দেখা যায়। সেই কাঠৰ কুন্দাসমূহেৰে তেওঁলোকে বাঁহ-খেৰৰ কমলাবাৰী সত্ৰখন ন কৈ নিৰ্মাণ কৰিছিল। যেতিয়া সত্ৰখন তিতাবৰলৈ স্থানান্তৰিত কৰা হয়; তেতিয়া তেওঁলোকে সেই কাঠৰ কুন্দাৰ ২২ ঘোৰকৈ খুঁটা লগত লৈ আনিছিল আৰু খুঁটাসমূহ সত্ৰখনৰ নিৰ্মাণত ব্যৱহাৰ কৰে। তাৰে এটা খুঁটা পৰ্যটকৰ বাবে সত্ৰখনত সংৰক্ষিত কৰি ৰাখিছে। এই সত্ৰত থকা কীৰ্তন ঘৰৰ আসনখন সাতখলপীয়া আৰু ইয়াত দৈনিক কীৰ্তন পাঠ কৰা হয়। বৰ্তমান লণ্ডনৰ মিউজিয়ামত সংৰক্ষিত কৰি ৰখা ছকুৰি হাত দীঘল আৰু তিনিকুৰি হাত বহল বৃন্দাবনী বস্ত্ৰৰ জোখত সত্ৰখনৰ কীৰ্তন ঘৰটো নিৰ্মাণ কৰা হৈছে। সত্ৰখনৰ দৰ্জাসমূহত দশাৱতাৰ আৰু নানা ধৰণৰ বৈকুণ্ঠৰ আৰ্হিৰো প্ৰতিফলন ঘটিছে।

মাজুলীৰ মূলসত্ৰভাগ নিৰ্মাণত মহাবীৰ হনুমানৰ যি প্ৰভাৱ আছিল সেই প্ৰভাৱক চিৰযুগমীয়া কৰি ৰাখিবলৈ সত্ৰৰ ভকতগণে সত্ৰৰ ভিতৰতে মহাবীৰ হনুমানৰ এটি মন্দিৰ নিৰ্মাণ কৰিছিল 'মহাবীৰ মন্দিৰ' নামেৰে। জনপ্ৰচাৰিত যে এই মন্দিৰত শৰাই আগবঢ়ালে মনৰ আশা পূৰণ হয়। মংগলবাৰ, শনিবাৰ আৰু দেওবাৰে সেই মন্দিৰত শৰাই আগবঢ়োৱাৰ ব্যৱস্থা আছে।

পুৰণি অৰ্থাৎ মাজুলীত থকা এই সত্ৰখনলৈ যেতিয়া সেইসময়ৰ চাৰিজনা আহোম ৰজাই চাৰিজনা মূৰ্ত্তি আৰু ২২ হাজাৰ বিঘা মাটি দান কৰিছিল লগতে পত্তা হিচাপে এখন তামৰ ফলক বদলা পদ্ম আতাক দিছিল। বৰ্তমান এইসমূহ সত্ৰখনত সাঁচি ৰখা হৈছে। ইয়াৰোপৰি কমলাবাৰী সত্ৰত শ্ৰী শ্ৰী শংকৰদেৱ, মাধৱদেৱ আৰু বদলা পদ্ম আতাৰ ভোজনৰ বাতি, দীননাথ বেজবৰুৱাই দিয়া তাম আৰু ৰূপ খটোৱা শৰাই (৪৮ ছে.মি. উচ্চ), ৰূপৰ কৰণী(৫.২ ছে.মি. উচ্চ), পিতলৰ টৌ (৪২ ছে.মি. উচ্চ), শংকৰদেৱৰ মালা আৰু মাধৱদেৱে দিয়া মঞ্জৰী তাল বৰ্তমানেও সংৰক্ষিত অৱস্থাত আছে।

অসমৰ বৈষ্ণৱ সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ মাজুলী। মাজুলী বুলিলেই জিলিকি উঠে ৰাস, ভাওনা আৰু পালনামৰ কথা। মাজুলীৰ অন্যতম উৎসৱ হ'ল ৰাস। ৰাস বুলি ক'লেই সততে মনলৈ আহে মাজুলীৰ প্ৰতিচ্ছবিখন। মাজুলীৰ সৈতে ৰাসৰ এক এৰাব নোৱাৰা গভীৰ সম্পৰ্ক আছে। মুঠৰ ওপৰত অতীজৰে পৰাই মাজুলী আৰু ৰাস পৰস্পৰে পৰস্পৰৰ লগত জড়িত হৈ আছে।

মাজুলীৰ 'কমলাবাৰী সত্ৰ'ত বিভিন্ন ধৰণৰ উৎসৱ অনুষ্ঠান আয়োজিত কৰা হয়। এই উৎসৱ অনুষ্ঠানবোৰে সত্ৰখনৰ পৰম্পৰাগত ঐতিহ্যক বহন কৰি ৰাখিছে। ঐতিহ্যমণ্ডিত শ্ৰী শ্ৰী কমলাবাৰী সত্ৰত ঐতিহাসিক পৰম্পৰা ৰক্ষা কৰি ৰাস উৎসৱ অনুষ্ঠিত হয়। ৰাস উৎসৱ হৈছে এনে এটি উৎসৱ, য'ত ভগৱান শ্ৰীকৃষ্ণৰ জীৱনলীলাক উপভোগ্য কৰি প্ৰদৰ্শন কৰা হয়। ই মূলতঃ এটি ধৰ্মীয় উৎসৱ। মাজুলীৰ দক্ষিণপাট সত্ৰত পোন প্ৰথমে এই উৎসৱৰ আৰম্ভ হয়। পাছলৈহে ৰাসোৎসৱৰ প্ৰসাৰ আউনীআটী, গড়মূৰ, কমলাবাৰী, ভোগপুৰ আদি সত্ৰলৈ ঘটে। শৰৎ কালৰ পূৰ্ণিমা তিথিত ৰাসলীলা আয়োজন কৰা হয়। শৰতকালৰ জোৎস্না প্লাৱিত ৰাতিত গোপীসকলক প্ৰেমৰসত আপ্লুত কৰি শ্ৰীকৃষ্ণই যি লীলাৰে বৃন্দাবন উৎফুল্ল কৰি তুলিছিল সেই প্ৰেমলীলাই ৰাস মহোৎসৱৰ প্ৰতিপাদ্য বিষয়। লক্ষ্মী পূৰ্ণিমাৰ দিনৰ পৰাই নাটকৰ আখৰা আৰম্ভ কৰি এমহীয়া পৰিক্ৰমাৰ অন্তত তিনিদিনীয়াকৈ ৰাস অনুষ্ঠিত কৰা হয়। উত্তৰ কমলাবাৰী সত্ৰ, নতুন কমলাবাৰী সত্ৰ প্ৰমুখ্যে মাজুলীৰ বিভিন্ন স্থানত প্ৰদৰ্শিত প্ৰায় পঞ্চাশটি মঞ্চত আয়োজন কৰা ৰাসলীলাৰ আকৰ্ষণীয়তাই দৰ্শকক বিস্ময় মুগ্ধ কৰি আহিছে। এইসমূহ দৰ্শনৰ বাবে দেশীয় বাবে আৰু বিদেশী পৰ্যটকৰ আগমনে সেই সময়ত মাজুলীক মৰততে সৰগীয় পৰিৱেশ কৰি তোলে।

আনহাতে গুৰু দুজনাৰ সমন্বয় অসমত অসমীয়াই উলহ মালহেৰে পৰম্পৰাগত ভাৱে পালন কৰি আহিছে বিহু। উদাসীন সত্ৰসমূহতো বৈষ্ণৱ সকলে পৰম্পৰা ঐতিহ্য ৰক্ষা কৰি সত্ৰৰ প্ৰতিষ্ঠাৰে পৰা পালন কৰি আহিছে ভোগালী বিহু। সমগ্ৰ মানৱ জাতিৰ কল্যাণৰ অৰ্থে আধ্যাত্মিক আৰু ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰা ভোগালী বিহুৰ প্ৰস্তুতি মাজুলীৰ ৬ খন উদাসীন সত্ৰত। মাজুলীত ঐতিহাসিক আউনীআটী সত্ৰ, উত্তৰ কমলাবাৰী সত্ৰ,

নতুন কমলাবাৰী সত্ৰ, মধ্য কমলাবাৰী সত্ৰ, ভোগপুৰ, দক্ষিণপাট আদি ৬ খন সত্ৰত প্ৰায় ৮ শতাধিক বৈষ্ণৱ আছে। উৰুকাৰ নিশা গাঁৱে-ভূঞে ভেলাঘৰ সাজি ভোজ-ভাত খোৱাৰ সকলোৱে প্ৰস্তুতি চলোৱাৰ বিপৰীতে মাজুলীৰ উদাসীন বৈষ্ণৱসকলে নিৰ্দিষ্ট এক গণ্ডীৰ মাজত ধৰ্মীয় পৰম্পৰা ৰীতি-নীতিৰে বিহু পালন কৰে। গৃহস্থী পৰিয়ালৰ দৰেই উত্তৰ কমলাবাৰী, নতুন কমলাবাৰী সত্ৰৰ বৈষ্ণৱসকলে ঢেকীৰ পৰিৱৰ্তে উড়ালত চিৰা পিঠা খুন্দি অতিথি আপ্যায়ন কৰিবলৈ ব্যাপক আয়োজন কৰে। সত্ৰৰ পৰম্পৰা অনুসৰি ঢেকীৰ পৰিৱৰ্তে উড়াল ব্যৱহাৰ কৰা হয়।

চিৰা খুন্দা কাৰ্যসূচীত সত্ৰৰ বয়োজেষ্ঠ বৈষ্ণৱ সকলেও যুৱ বৈষ্ণৱ সকলক সহযোগ কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ বুঢ়া ভকতসকলে ৯৭ বছৰতো উড়াল মাৰি চিৰা খুন্দে। বুঢ়া ভকতসকলে এই বয়সতো চিৰা খুন্দা কাৰ্য দেখি উৎসাহিত হৈছে যুৱ বৈষ্ণৱসকল। তেওঁলোক অকল চিৰায়েই নহয় বড়াধানৰ পৰা চাউল উলিয়াই পিঠাগুৰি খুন্দা, মুৰি ভজা, কোমল ধান বঢ়াই ৰ'দাই কোমল চাউল তৈয়াৰ কৰা, বিবিধ ধৰণৰ পিঠা বনোৱা আদি কামবোৰ এগৰাকী পাকৈত গৃহিণীৰ দৰে নিজে নিজে কৰে।

সত্ৰৰ চাৰিহাটীতেই বৈষ্ণৱ সকলে গো-পালন কৰে। ভোগালীৰ কৰণে নিজৰ প্ৰয়োজনীয় দৈ গাখীৰ বহাতে মলা, টেকেলি, নদিয়া, কলহ আদিত ৰাখি তৈয়াৰ কৰে। সত্ৰৰ বৈষ্ণৱ সকলে বিশেষ বিহু প্ৰস্তুতি বাহিৰৰ আলহীৰ আপ্যায়নত গুৰুত্ব প্ৰদান কৰে। সত্ৰৰ সেৱক শিষ্য-প্ৰশিষ্যসকল বিহুত সত্ৰলৈ যায় আৰু তেওঁলোকক আপ্যায়ন কৰে। মেজি সাজি ডেকা বৈষ্ণৱ সকলে পৰম্পৰা ৰক্ষা কৰি মেজি জুই দিয়াৰ লগতে বিহুত নাম-প্ৰসংগ, গায়ন-বায়ন, বহাসেৱা, নামসেৱা সত্ৰাধিকাৰ অধ্যাপক সকলক সেৱা, বয়োজেষ্ঠ জনক সেৱা আদি কাৰ্যসূচী ৰূপায়ন কৰে। এই পৰম্পৰাসমূহ সত্ৰ প্ৰতিষ্ঠা কালৰে পৰা নিভাঁজ ভাৱে পাঁচশ বছৰৰ পৰা চলি আহিছে।

ইয়াৰোপৰি সত্ৰ-সংস্কৃতিৰ এটি প্ৰধান অংগ হ'ল ভাওনা। শংকৰদেৱেই অসমত পূৰ্ণাঙ্গ নাট আৰু অভিনয়ৰ প্ৰৱৰ্তন কৰি এইবিধ সুকুমাৰ কলা চৰ্চাৰ পথ সুগম কৰি তোলে। সত্ৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে নাট আৰু ভাওনাৰ প্ৰচুৰভাৱে যথাক্ৰমে প্ৰণয়ন আৰু প্ৰচলন ঘটাটো এটা মনকৰিবলগীয়া কথা। শংকৰদেৱৰ চিহ্নযাত্ৰাৰ বিষয়ে বিভিন্নজনৰ মনত পৃথক ধাৰণা হ'লেও ইয়েই পিছৰ কালৰ অভিনয় কলাৰ বাবে বাট দেখুৱাইছিল। তেওঁ ৰচনা কৰা দুখনি নাটৰ কোনোখনৰ কোনো কোনো প্ৰতিলিপিত 'যাত্ৰা' শব্দটোৰ প্ৰয়োগ হোৱা দেখা যায়। দুই এখন চৰিত পুথিতো ভাওনা বুজাবলৈ 'যাত্ৰা' শব্দৰ প্ৰয়োগ হৈছে। বৰ্তমান শতিকাৰো তৃতীয় চতুৰ্থ দশক মানলৈকে ভাওনা বুজাবলৈ যাত্ৰা শব্দৰ ব্যৱহাৰ হৈছিল যদিও নাট বুজাবলৈ এই শব্দৰ ব্যৱহাৰ হোৱাৰ উদাহৰণ পিছৰ কালত পোৱা নাযায়। ভাওনা শব্দ যে প্ৰাচীন তাৰ প্ৰশস্ত উদাহৰণ - মাধৱদেৱে লিখা 'ৰাম ভাওনা' নাট।

শংকৰ-মাধৱৰ বাহিৰেও গোপাল আতা, দৈত্যাৰি, ৰমাকান্ত, ৰামচন্দ্ৰ আদি ধৰ্ম গুৰুসকলৰ দ্বাৰা ৰচিত যিবোৰ এই ধৰণৰ ৰচনা আছে আৰু বৰ্তমান যুগতো ৰচিত হৈছে সেই সমূহৰ অভিনয়কে ভাওনা বোলা হয়। ভাওনাই জনপ্ৰিয়তা লাভ কৰাৰ বিশেষ কাৰণ আছিল পুৰাণ, মহাভাৰত আদিৰ পৰা গৃহীত বিষয়বস্তুৰ লগত সাধাৰণজনৰো অতি ঘনিষ্ঠ পৰিচয়; ইয়াত ব্যৱহৃত কৃত্ৰিম সাহিত্যৰ লাহতী অথচ শক্তিশালী ভাষা বিশিষ্ট অসমীয়া ব্ৰজাৱলীৰ ছন্দ হিল্লোল আৰু অভিনয় ক্ষেত্ৰৰ বাবে আধুনিক কালৰ সুসজ্জিত মঞ্চাদিৰ প্ৰয়োজন হীনতা। নাট এখন মেলিলেই প্ৰথমেই প্ৰয়োজন হয় আখৰাৰ। অভিনয়ৰ বাবে প্ৰয়োজনীয় বিষয়ৰ উল্লেখযোগ্য অংগ হ'ল - সাজ-পোছাক, ৰং-বৰণ, মুখা আৰু বিভিন্ন নাটৰ বাবে আৱশ্যকীয় যাৱতীয় সা-সঁজুলি। যেনে - স্যমন্ত হৰণত ভালুক, দধিমথন বা অৰ্জুন ভঞ্জনত মথনি, ৰাৱন বধত দশশিৰযুক্ত ৰাৱনৰ মুখা, অমৃত মথনত বাসুকী, সুৰভী গাই ঐৰাৱত হাতী আৰু মন্দৰ পৰ্বত আদি সঁজুলি যত্নেৰে সাজি উলিয়াব লগা হয়।

সত্ৰৰ পৰম্পৰা ৰক্ষা কৰি মাজুলীৰ কমলাবাৰী, আউনীআটী সত্ৰ আদিতো ভাওনা বা যাত্ৰা/নাট অনুষ্ঠিত কৰা হয়। ভাওনা হোৱা ঠাই - নামঘৰটো কাগজৰ ফুল, কলপুলি আদিৰে সজাই তোলা হয়। বাঁহৰ খুঁটা আৰু তাত

চিটিকা লগাই সেইবোৰত ৰঙীন কাগজ কাটি ফুল কৰি লগাই দিয়া হয়। পশ্চিমৰ ফালে দুৱাৰমুখৰপৰা অলপ সোমায়েই ভিতৰত অগ্নিগড়টি পাতে আৰু তাত ধেনুৰ দৰে ডাঙৰকৈ কাঠেৰে অৰ্দ্ধবৃত্তাকাৰে সজা ন-গছি বন্তি জ্বলোৱা হয়। পোহৰৰ বাবে আঁৰিয়া চৌতৰা, ভোটা আদি জ্বলায়। তেনে চাৰিডাল আঁৰিয়া একোজন মানুহে গাইপতি এডালকৈ হাতেৰে ধৰি গায়ন-বায়নৰ যোৱাৰ আগত লৈ বাজনাৰ ছেৱে ছেৱে নাচি থাকে।

ভাওনাত ব্যৱহৃত বাদ্যযন্ত্ৰাদিৰ ভিতৰত খোল, তাল, কাঁহ, দবা আৰু নেগেৰাই প্ৰধান। জন্মযাত্ৰা নাটত কৃষ্ণ জন্ম হওঁতে শঙ্খ-ঘন্টা, দবা-কাঁহ আদি বজায়। সেইদৰে বাসুদেৱ- দৈৱকীৰ বিয়াত কেতিয়াবা ঢোল বজোৱা হয় আৰু মাইকী মানুহে বিয়ানাম গাই অসমীয়া সমাজৰ বিয়াৰ চিত্ৰ প্ৰকাশৰ চেষ্টাৰে বিয়াখনক আপোন ঘৰুৱা কৰি তোলে। ভাওনাৰ আৰম্ভণিতে গায়ন-বায়নে "অ' হৰি অ' ৰাম" বুলি দবা বজাই হৰিধ্বনি কৰে। গায়ন-বায়ন সামৰাৰ পিছত সূত্ৰাধাৰ আৰু কৃষ্ণ বা ৰামৰ প্ৰৱেশৰ প্ৰথম ভাগতে আঁৰ কাপোৰ অৰ্থাৎ সমুখত চেলেং কাপোৰ এখনেৰে আঁৰ দি ধৰা হয়। নান্দী শ্লোক মতাৰ পিছত গীতৰ অন্তত সূত্ৰাধাৰে নাচ শেষ কৰি মাত লগায়। ভাৱৰীয়াই বচন মাতোতে সুৰ লগাই মাতে। আনহাতে ভাওনাৰ মাজত বিবিধ দিহা, ধুৱা, পদ আদি সোমাইছে , চৰিত্ৰবোৰৰ মুখত দিয়া পদ, পয়াৰ, বিলাপ, লেছাৰি , একাৱলী আদি সময়ৰ লগে লগে বাঢ়ি আহিছে আৰু সেইমতে সিবোৰত বিভিন্ন সুৰৰ প্ৰয়োগ ঘটিছে।

ভাওনা ভগাৰ পৰত দৰ্শক নাথাকিলেও মূল ভাৱৰীয়া আৰু গায়ন-বায়ন-সূত্ৰাধাৰে খৰমান গাইহে নাট সামৰিব পাৰে। গায়ন-বায়নে খৰমানৰ গীত গাওঁতে মূল চৰিত্ৰ অৰ্থাৎ কৃষ্ণই সেই ভঙ্গীত নাচিব লাগে। নাটমেলাৰ দৰেই নাট সামৰা বুলিও শৰাই এখনি দি আনুষ্ঠানিকভাৱে নাটখনি সামৰা হয়।

উক্ত তথ্যখিনিৰ পৰা বুজা গৈছে যে এই সত্ৰখনে ইতিহাসৰ পাতত এক চিৰস্থায়ী নাম খোদিত কৰি আহিছে।

# পঞ্চম অধ্যায়

## ৫.০০ তিতাবৰ সমাজ জীৱনলৈ কমলাবাৰী সত্ৰৰ অৱদান ঃ

তিতাবৰত সত্ৰীয়া সংস্কৃতিৰ আধাৰ হ'ল অসমৰ চাৰিসত্ৰৰ অন্যতম শ্ৰী শ্ৰী কমলাবাৰী সত্ৰ। কৃষ্টিৰ ভঁৰালবিখ্যাত এই সত্ৰখনি মাজুলীৰ পৰা মহাবাহু ব্ৰহ্মপুত্ৰৰ প্ৰবল গৰাখহনীয়াৰ ৰোষত পৰি ১৯৭৫ চনতে তিতাবৰ মহিমাবাৰীলৈ স্থানান্তৰ হয়। নগা পাহাৰৰ দাঁতিকাষৰীয়া তিতাবৰৰ বিস্তৃৰ্ণ এলেকাত সত্ৰীয়া-সংস্কৃতিৰ পোহৰ নপৰা অঞ্চলটিত সত্ৰখনি হ'ল কৃষ্টিৰ প্ৰাণকেন্দ্ৰ আৰু কৃষ্টি বিকাশত সত্ৰখনিৰ উল্লেখনীয় অৱদান আছে। এই সত্ৰখনিৰ ছত্ৰছায়াঁতে থাকি কৃষ্টিৰ সাধক ৰাষ্ট্ৰীয় সন্মান প্ৰাপক মনিৰাম দত্ত মুক্তাৰ, সংগীত নাটক একাডেমী বঁটা প্ৰাপক ৰোযেশ্বৰ শইকীয়া বৰবায়ন, ঘনকান্ত বৰা বৰবায়ন, টংকেশ্বৰ হাজৰিকা বৰবায়নৰ লগতে শিল্পী ৰামেশ্বৰ খাটনিয়াৰ বৰবায়ন, ড° বি. আৰ. আম্বেদকাৰ বঁটা প্ৰাপক ভাওনা ৰত্ন সোণাৰাম শৰ্মা বুঢ়াভকত, ভোলা বৰগায়ন আদি বহুজনৰ সত্ৰীয়া কৃষ্টিলৈ অনবদ্য অৱদান আছে।

সময়ৰ গতিত শ্ৰী শ্ৰী কমলাবাৰী সত্ৰত বৈষ্ণৱ হিচাপে কৃষ্টিৰ সাধনা কৰা বহুকেইগৰাকী কৃষ্টিৰ সাধকে সত্ৰখনিৰ পৰা গৈ ৰাজ্যৰ ভিন্ন প্ৰান্তত সঙ্গীৰ বিদ্যালয় স্থাপনেৰে সত্ৰীয়া সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰত মনোনিৱেশ কৰিছে। তিতাবৰত তৰুণ বৰবায়ন আৰু গোবিন বৰা বায়নৰ তত্বাৱধানত শ্ৰীমন্ত শংকৰ বিদ্যাপীঠত স্থানীয় ৰাইজৰ সহযোগত প্ৰতিষ্ঠা হৈছিল 'শ্ৰী গুৰু সংঙ্গীত বিদ্যালয়' খনি। দুয়োজনে সত্ৰখনিত থাকি সত্ৰীয়া কৃষ্টিৰ ক্ৰমবিকাশত মনোনিৱেশ কৰি পিছলৈ 'শশীকুল সংগীত বিদ্যালয়' নামেৰে তিতাবৰ মিলন নগৰত অন্য এখন সংঙ্গীত বিদ্যালয় স্থাপনেৰে নিগাজীকৈ দুয়োজনে বিদ্যালয়ৰ যোগেদি সমান্তৰালভাৱে কৃষ্টিৰ বিকাশ ঘটোৱাত আগবাঢ়িল। বিদ্যালয়খনিৰ জড়িয়তে তেখেতসকলে তিতাবৰৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত সত্ৰীয়া নৃত্য, গীত, বাদ্য, অংকীয়া নাট, ভাওনা, ৰাসলীলাৰ উপৰিও তিতাবৰত মহিলা ভাওনা অনুষ্ঠিত কৰি অন্য এক কৃষ্টিৰ সংযোজন ঘটালে।

শ্ৰী গুৰু সংঙ্গীত বিদ্যালয়ৰ অধ্যক্ষ তৰুণ বৰবায়ন আৰু গোবিন বৰা বায়নে কৃষ্টিৰ বিকাশ ঘটোৱাৰ লগতে অঞ্চলটিৰ একাংশ নিৰনুৱা যুৱক-যুৱতীক কৃষ্টি চৰ্চাতে মনোনিৱেশ ঘটাই সংস্থাপিত কৰি আত্মনিৰ্ভৰশীল কৰি তোলাতো অন্য এক নিদৰ্শন। সেইদৰে নিজৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ অনা অভিভাৱকক আজৰি সময়ত বৰগীতৰ শিক্ষাই প্ৰদান কৰাই সত্ৰীয়া সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰি তুলিছে। বিদ্যালয়খনিৰ জৰিয়তে বছা বছা শিল্পীৰ যোগেদি গুৰুজনাৰ অন্যতম ৰামবিজয়, পাৰিজাত হৰণ, অংকীয়া ভাওনা, ছালি ঝুমুৰা আদি বিভিন্ন নৃত্যসমূহ তিতাবৰৰ লগতে ডিগবৈ, শিৱসাগৰ, দিল্লী, গুৱাহাটী আদি বিভিন্ন ঠাইত পৰিৱেশন কৰি পুৰস্কৃত হৈ তিতাবৰলৈ গৌৰৱ কঢ়িয়াই আনিছে।

তিতাবৰৰ দৰে অঞ্চলটিৰ কণ কণ শিশুসকল, যুৱক-যুৱতীৰ লগতে অভিভাৱক সকলক আদৰি সত্ৰীয়া কৃষ্টি চৰ্চাৰ ক্ষেত্ৰত নৱ প্ৰজন্মক ঐকান্তিক প্ৰচেষ্টাৰে বাট বুলুৱা, তিতাবৰৰ শ্ৰী গুৰু আৰু শশীকুল সংগীত বিদ্যালয়ৰ যি ভূমিকা তাৰ সমান্তৰালভাৱে তিতাবৰত সত্ৰখনিৰ কৃষ্টিৰ সাধক পৰমানন্দ বৰবায়ন, শ্ৰীমন্ত বৰা বায়ন, ভোলাৰাম শইকীয়া বৰবায়ন, পঙ্কজ শইকীয়া বৰবায়ন, নিৰঞ্জন হাজৰিকা বায়ন আদি সত্ৰখনিৰ বহু কেইগৰাকী শিল্পী তথা সাধকৰ আপ্ৰাণ চেষ্টাত বিশাল তিতাবৰ সত্ৰীয়া কৃষ্টিৰে বিমোষিত কৰি কৃষ্টি উজ্জ্বলাই তুলিছে। ইয়াৰ উপৰিও সত্ৰখনিৰ বাহিৰত থাকি কৃষ্টি চৰ্চাত মনোনিৱেশ কৰা সত্ৰীয়া শিল্পী, সাধক যাদৱ হাজৰিকা, নৃপেন কটকী, নাৰায়ণ কলিতাকে ধৰি অঞ্চলটিৰ বহুকেইগৰাকীৰ প্ৰচেষ্টা উল্লেখনীয়।

তিতাবৰৰ মহিমাবাৰীত অৱস্থিত এই 'শ্ৰী শ্ৰী কমলাবাৰী সত্ৰ'ৰ মহিমা সেই অঞ্চলৰ লগতে অসমৰ বিভিন্ন ঠাইত বিস্তৃত হৈ আছে। অসমীয়া সমাজ জীৱনলৈ এই সত্ৰৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। বৈষ্ণৱধৰ্মৰ আপুৰুগীয়া অৱদানসমূহ সুন্দৰকৈ ধৰি ৰখাৰ লগতে মহাপুৰুষ দুজনাই অসমীয়া সমাজ তথা বৈষ্ণৱ সমাজ

জীৱনলৈ আগবঢ়াই যোৱা অমূল্য অৱদানসমূহ সাহিত্য আৰু ধৰ্মচৰ্চাৰ যোগেদি সজীৱ কৰি ৰাখিছে। ইয়াৰ যোগেদি এই সকলোবোৰৰ মহিমা গোটেই অঞ্চলজুৰি বিয়পি পৰিছে।

সত্ৰখনৰ যোগেদি ইয়াৰ স্থানীয় তথা অন্য ঠাইৰ লোকেও মহাপুৰুষ দুজনাই দি যোৱা সম্পদ তথা সাংস্কৃতিক সম্বলসমূহৰ মূল তত্ত্ব অনুধাৱন কৰিবলৈ সুবিধা লাভ কৰিছে। নতুনকৈ উঠি অহা প্ৰজন্মইও সত্ৰখনৰ যোগেদি নৱবৈষ্ণৱ ধৰ্মৰ গুৰুত্ব, উদ্দেশ্য তথা গুৰুদুজনাই কৈ যোৱা মানৱ জীৱনৰ মূল সাৰ বুজিবলৈ আৰু জানিবলৈ সক্ষম হৈ উঠিছে। শেষত তিতাবৰ সত্ৰীয়া সংস্কৃতিৰ গুৰি ধৰোঁতা শ্ৰী শ্ৰী কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ প্ৰভূলৈ ভক্তিভৰা প্ৰণিপাত জনাই অনাগত দিনত সত্ৰীয়া কৃষ্টিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত সত্ৰখনিৰ অৱদান পাথেয় হৈ ৰওঁক।

# উপসংহাৰ

অসমীয়া 'সত্ৰ' শব্দটো সংস্কৃত ভাষাৰ পৰা আহিছে। সংস্কৃতত 'সত্ৰ' শব্দৰ অৰ্থ হ'ল - 'দীৰ্ঘকালীন যজ্ঞ'। অসমত নৱবৈষ্ণৱ ধৰ্ম বা একশৰণ নামধৰ্ম প্ৰচাৰ কৰে শংকৰদেৱে। এই ধৰ্মৰ মূলমন্ত্ৰ আছিল 'এক দেৱ এক সেৱ এক বিনে নাই কেৱ ' অৰ্থাৎ কেৱল নামৰ দ্বাৰাই পৰম ভগৱানক লাভ কৰি ইহ সংসাৰৰপৰা উদ্ধাৰ হোৱাৰ উপায় তেওঁ ৰচনা কৰিছিল। শংকৰদেৱে যেনেদৰে সকলো জাতি-জনজাতিক একলগ কৰি ধৰ্ম, জাতি, সমাজ, সাহিত্য আৰু সংস্কৃতিৰ মাজত যি বিশাল একতাৰ ডোল তৈয়াৰ কৰি সেই ডোলেৰে সকলোকে মেৰিয়াই বান্ধি বৃহত্তৰ অসমীয়া জাতি গঠন কৰি সমাজ সংস্কাৰ কৰিব খুজিছিল। এই একে আদৰ্শৰে অনুপ্ৰাণিত হৈ তিনিওজনা সত্ৰাধিকাৰে শাক্ত ধৰ্মক চেৰ পেলাই বিশাল মহাপুৰুষীয়া ধৰ্মক আগুৱাই নিছিল। অসমৰ বিভিন্ন ঠাইত শংকৰদেৱে সত্ৰ, নামঘৰ আদি পাতি নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। সেই সময়ত অসমত চলি থকা বলিবিধান আৰু দেৱ-দেৱীৰ পূজাৰপৰা মানুহৰ মন আঁতৰাই একমাত্ৰ ভগৱান বিষ্ণুক সমৰ্পন কৰিছিল। মানুহক ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি আকৰ্ষিত কৰিবলৈ তেওঁ বিভিন্ন শাস্ত্ৰৰ অৱতাৰণা কৰিছিল। এই শাস্ত্ৰসমূহকেই পৰৱৰ্তী সময়ত সত্ৰৰ সত্ৰাধিকাৰসকলে চৰ্চা কৰিছিল আৰু লগতে জনসাধাৰণেও চৰ্চা কৰিছিল। নিকা সংহতিৰ কমলাবাৰী সত্ৰ এই আদৰ্শৰেই জীয়াই আছে আৰু সদায় জীয়াই থাকিব। ধৰ্ম প্ৰসাৰতকৈ ধন সম্পত্তিৰ প্ৰসাৰত অধিক মনোনিৱেশ কৰাত পাৰমাৰ্মিক আৰু আধ্যাত্মিক দিশত যিমান গুৰুত্ব আৰোপ কৰিছিল সত্ৰসমূহত সিমান গুৰুত্ব দিয়া হোৱা নাই। এনেদৰে থাকিলে সত্ৰসমূহৰ আগৰ গৌৰৱ ম্লান পোৱাটো স্বাভাৱিক। এই গৌৰৱ পুনৰ উদ্ধাৰ কৰিবলৈ হ'লে সত্ৰসমূহৰ মধ্যযুগীয় দৃষ্টিভংগী পৰিহাৰ কৰি ধৰ্মৰ লগত মানৱ সেৱাত প্ৰবৃত্ত হ'ব পাৰিলে আৰু এই সত্ৰসমূহৰ ধৰ্মীয় পৰম্পৰাক ভক্তসকলৰ হিতৰ বাবে ব্যৱহাৰ কৰিব পাৰিলে সত্ৰৰ নুমাই যাব খোজা চাকিগছি পুনৰ প্ৰজ্জ্বোলিত হৈ উঠিব।

শ্ৰী শ্ৰী কমলাবাৰী সত্ৰৰ লগতে অসমৰ ঠায়ে ঠায়ে থকা সত্ৰসমূহে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ লগতে অন্য ধৰ্মপ্ৰচাৰক গুৰুসকলে আগবঢ়াই যোৱা বৈষ্ণৱ ধৰ্মৰ সম্পদসমূহ চিৰযুগমীয়া কৰি ৰখাৰ যি প্ৰয়াস সেইয়া আদৰণীয় আৰু উল্লেখনীয়। এই সত্ৰসমূহে ধৰ্মীয় নৃত্য, সাজপাৰৰ লগতে অন্য এক পূণ্য আৰু শান্তিৰ পথো সমাজক দেখুৱাই দিছে। সহজ অৰ্থত ক'বলৈ হ'লে যি ঠাইত বৈষ্ণৱ সন্তসকলে বাস কৰি জীৱৰ মুক্তিৰ সন্ধান দিয়ে সেয়ে সত্ৰ। মহিমামণ্ডিত এই সত্ৰসমূহত সংৰক্ষিত অথবা প্ৰচলন কৰি ৰখা বৈষ্ণৱ ধৰ্মৰ সম্পদ তথা সংস্কৃতি অতিকৈ আদৰণীয়। এই সকলোবোৰৰ বাবেই অসমৰ এই বৈষ্ণৱ ধৰ্ম তথা সংস্কৃতিয়ে বিশ্বদৰবাৰত আদৰেৰে থিয় হ'বলৈ সক্ষম হৈছে।

অসমীয়া সংস্কৃতিত সত্ৰসমূহৰ অনবদ্য অৱদানসমূহ কম শব্দত আলোচনা কৰি শেষ কৰিব নোৱাৰি। বৃহৎ পৰিসৰৰ অন্তৰ্গত এই অৱদানসমূহে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি আহিছে। শংকৰদেৱৰ সময়ৰে পৰা শংকৰোত্তৰ যুগলৈকে ৰজাঘৰীয়াৰ পৃষ্ঠপোষকতাৰ লগতে সত্ৰসমূহো বিভিন্ন ধৰণৰ গীত, নাট, পুথি আদি ৰচনাত আগভাগ লৈছিল।

সত্ৰসমূহ কেৱল ধৰ্মীয় অনুষ্ঠান হোৱাতকৈ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান হ'ব লাগে। প্ৰতিটো জাতি-জনগোষ্ঠীয়েই যাতে সত্ৰৰ সৈতে একাত্মতা অনুভৱ কৰিব পাৰে, তাৰ ব্যৱস্থাও সত্ৰবোৰত থাকিব লাগে। এই ক্ষেত্ৰত চৰকাৰখনৰো যথেষ্ট ভূমিকা আছে। সত্ৰৰ বাহ্যিক সৌন্দৰ্য আৰু মনোমোহা কৰি তুলিবলৈ চৰকাৰখনৰ আৰ্থিক সাহাৰ্য, সহায়-সহযোগ, আদিৰ প্ৰয়োজন আছে, ই পৰ্যটনৰ দিশটোও সমৃদ্ধ কৰিব। সত্ৰসমূহ সমগ্ৰ অসমৰ মানুহখিনিৰ বাবে জাতীয় পৰিচয় হোৱা দৰকাৰ। কেৱল জনগোষ্ঠীয় লোক সকলক আদৰি লোৱাই নহয়, বৰঞ্চ সত্ৰৰ মাজত এনে এটি অৱস্থাৰ সৃষ্টি হ'ব লাগে য'ত ধৰ্মীয় সংকীৰ্ণতাৰ পৰা উদ্ধলৈ গৈ সকলো শ্ৰেণীৰ মানুহে একাত্মতা অনুভৱ কৰিব পাৰে। তেতিয়াহে সত্ৰসমূহৰ প্ৰাসংগিকতা সদায় বৰ্তি থাকিব।

# সিদ্ধান্ত

"শ্ৰী শ্ৰী কমলাবাৰী সত্ৰৰ ঐতিহ্য" - শীৰ্ষক আলোচনা প্ৰকল্প প্ৰতিবেদনখনিত এই সম্পৰ্কে বিচাৰ কৰাৰ অন্তত কিছুমান সিদ্ধান্তত উপনীত হ'ব পাৰি। তলত সেইবোৰ উল্লেখ কৰা হ'ল -

(ক) সত্ৰ এখনৰ গুৰুত্ব আৰু বৈভৱ নিৰ্ভৰ কৰে চৌপাশৰ মানুহ অথবা গোটেই অঞ্চলৰ মানুহৰ সহযোগিতা আৰু সমৰ্থনৰ ওপৰত।

(খ) অসমৰ বিভিন্ন প্ৰান্তত যদিও বহুতো সত্ৰ আছে তথাপিও আগৰ তুলনাত বৰ্তমান মানুহৰ এই সত্ৰসমূহত ধৰ্মচৰ্চা বা অন্য ধাৰ্মিক জ্ঞান অৰ্জনৰ পৰিমাণ কমি অহা দেখা গৈছে।

(গ) সত্ৰসমূহ হৈছে অসমৰ জাতীয় জীৱনৰ অপৰিহাৰ্য অংগ।

(ঘ) সামগ্ৰিকভাৱে বৈষ্ণৱ ধৰ্মৰ মূল আদৰ্শবোৰ বৰ্তাই ৰাখিছে সত্ৰসমূহে। যদিও সত্ৰৰ সংহতি বিভাজনে সত্ৰবোৰৰ মাজতেই কিছু বিভেদ সৃষ্টি কৰিছে আৰু পৰম্পৰা বা ৰীতি-নীতিৰ পৰিৱৰ্তন সাধন কৰি লৈছে তথাপিও এনে পৰম্পৰা আৰু ৰীতি-নীতিৰ মাজতেই সংপৃক্ত হৈ আছে অসমৰ সামাজিক জীৱন পদ্ধতি।

(ঙ) মহিমামণ্ডিত এই সত্ৰসমূহত সংৰক্ষিত অথবা প্ৰচলন কৰি ৰখা বৈষ্ণৱ ধৰ্মৰ সম্পদ তথা সংস্কৃতি অতিকৈ আদৰণীয় আৰু এইবোৰৰ বাবেই অসমৰ বৈষ্ণৱ ধৰ্ম তথা সংস্কৃতিয়ে বিশ্বদৰবাৰত আদৰেৰে থিয় হ'বলৈ সক্ষম হৈছে।

# প্ৰসংগ টোকা


১. মহন্ত বাপচন্দ ঃ মহাপুৰুষীয়া পৰম্পৰাত সত্ৰ আৰু সংগীত, পৃষ্ঠা ৪১

২.https://kkhsou.ac.in/eslm/E-SLM_Main/5th%20Sem/Bachelor%20Degree/Studies%20of%20Assamese%20Culture/Studies%20of%20Assamese%20Culture-I/Unit%204.pdf, পৃষ্ঠা ৪

৩.https://kkhsou.ac.in/eslm/E-SLM_Main/5th%20Sem/Bachelor%20Degree/Studies%20of%20Assamese%20Culture/Studies%20of%20Assamese%20Culture-I/Unit%204.pdf, পৃষ্ঠা ৪

৪. দেৱগোস্বামী ড° কেশৱানন্দ ঃ সত্ৰ সংস্কৃতিৰ ৰূপৰেখা, পৃষ্ঠা ৩৪

৫. দেৱগোস্বামী ড° কেশৱানন্দ ঃ সত্ৰ সংস্কৃতিৰ ৰূপৰেখা, পৃষ্ঠা ২৫

৬. বৰা ডাঃ তুলতুল ঃ শ্ৰী শ্ৰী কমলাবাৰী সত্ৰৰ শতপল্লৱ, পৃষ্ঠা ১১৩

৭. গোস্বামী শ্ৰী শ্ৰী ভৱকান্ত দেৱ ঃ শ্ৰী শ্ৰী বদলা পদ্মআতাৰ চৰিত পুথি, পৃষ্ঠা ৩

# গ্ৰন্থপঞ্জী


দেৱগোস্বামী, ড° কেশৱানন্দ ঃ *সত্ৰ -সংস্কৃতিৰ ৰূপৰেখা*, প্ৰকাশক, নেশ্যনেল লাইব্ৰেৰী, নতুন বজাৰ, ডিব্ৰুগড় প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ১৯৭৩ চন।

গোস্বামী, শ্ৰী শ্ৰী ভৱকান্ত দেৱ ঃ *শ্ৰী শ্ৰী বদলা পদ্মআতাৰ চৰিতপুথি*, প্ৰকাশক, শ্ৰী শ্ৰী ভৱকান্ত দেৱ গোস্বামী, অধিকাৰ, কমলাবাৰী সত্ৰ, প্ৰথম প্ৰকাশ, ১১ মাঘ, ১৮৮৮ শক, ৫১৮শঙ্কৰাব্দ।

বৰা, ডাঃ তুলতুল ঃ *শ্ৰী শ্ৰী কমলাবাৰী সত্ৰৰ শতপল্লৱ*, প্ৰকাশক, কৃষ্টি প্ৰচাৰ সমিতি, মূল শ্ৰী শ্ৰী কমলাবাৰী সত্ৰ তিতাবৰ, প্ৰথম প্ৰকাশ, ১৯৩২ শক, ভাদ মাহ, আগষ্ট ২০১১ খ্ৰীষ্টাব্দ।

মহন্ত, বাপচন্দ্ৰ ঃ *মহাপুৰুষীয়া পৰম্পৰাত সত্ৰ আৰু সংগীত*, অসম সত্ৰ মহাসভা যোৰহাট, অসম প্ৰকাশক, প্ৰথম প্ৰকাশ, ছেপ্তেম্বৰ, ২০০৩।

# তথ্যদাতাৰ তালিকা

নাম ঃ শ্ৰী শ্ৰী ভৱকান্ত দেৱ গোস্বামী
বয়স ঃ ৬৪
বৃত্তি ঃ বৰ্তমান শ্ৰী শ্ৰী কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ
ঠিকনা ঃ কমলাবাৰী সত্ৰ, মহিমাবাৰী
জিলা ঃ যোৰহাট

নাম ঃ দীলিপ বৰুৱা
বয়স ঃ ৪৭
বৃত্তি ঃ ভকত
ঠিকনা ঃ কমলাবাৰী সত্ৰ, মহিমাবাৰী
জিলা ঃ যোৰহাট

নাম ঃ সুনাৰাম শৰ্মা বুঢ়াভকত
বয়স ঃ ৪২
বৃত্তি ঃ ভকত
ঠিকনা ঃ কমলাবাৰী সত্ৰ, মহিমাবাৰী
জিলা ঃ যোৰহাট

নাম ঃ মাধৱ বৰা
বয়স ঃ ৫৩
বৃত্তি ঃ ভকত
ঠিকনা ঃ কমলাবাৰী সত্ৰ, মহিমাবাৰী
জিলা ঃ যোৰহাট

# আলোকচিত্ৰ




কমলাবাৰী সত্ৰৰ তোৰণ




মূল প্ৰৱেশকাৰী তোৰণৰ বাওঁ স্তম্ভ





মূল প্ৰৱেশকাৰী তোৰণৰ সোঁ স্তম্ভ




শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰসকলৰ তালিকা



শ্ৰী শ্ৰী ভৱকান্ত দেৱ গোস্বামী (বৰ্তমানৰ সত্ৰাধিকাৰ)



মানৰ খুঁটি



কমলাবাৰী সত্ৰৰ চাৰিসীমাৰ মানচিত্ৰ



সত্ৰাধিকাৰ বসবাস কৰা মূল গৃহৰ কীৰ্তিচিহ্ন



পূৰ্ব আৰু বৰ্তমানৰ সত্ৰাধিকাৰসকলৰ চিত্ৰ